www.newsnextone.com

# e সংবাদ

SATURDAY, DECEMBER 14, 2024 ■ শনিবাৰ, ২৮ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪১ Guwahati, Assam ।। মূল্যঃ এটকা

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## বিশিষ্ট কবি মীৰা ঠাকুৰৰ বিয়োগ

**ই-সংবাদ, গুৱাহাটী, ১৩ ডিচেম্বৰঃ** ৰাজ্যখনৰ এজনা অগ্ৰণী কবি, সু-লেখিকা, সমালোচক ৪ পৃষ্ঠাত চাওক

# বিজেপিক ধৰাশায়ী কৰি সংসদত প্ৰথম ভাষণ প্ৰিয়ংকাৰ



**নতুন দিল্লী, ১৩ ডিচেম্বৰঃ** শুকুৰবাৰে সংসদ ভৱনৰ অধিৱেশনত যেন পুনৰাবৃত্তি ঘটিল ইতিহাসৰ। সংসদৰ প্ৰথম ভাষণতে শাসকপক্ষক শানিত ভাষাৰে থকাসৰকা কৰে ৱায়নাড সমষ্টিৰ নৱনিৰ্বাচিত সাংসদ প্ৰিয়ংকা গান্ধী বাদ্ৰাই। তেওঁৰ উদাত্ত ভাষণৰ পিছতে এতিয়া কংগ্ৰেছ সমৰ্থকসকলে চৰ্চা চলাইছে- যেন ইতিহাসৰ দাপোনত পুনৰ দৃশ্যায়িত হৈছে ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী! উল্লেখ্য যে, আইতাক ইন্দিৰা গান্ধী আৰু নাতিনী প্ৰিয়ংকাৰ মাজত দৈহিক সাদৃশ্যক লৈ প্ৰায়ে চৰ্চা চলে যদিও সংসদৰ প্ৰথমটো ভাষণতে আইতাকৰ শেষাংশ ২ পৃষ্ঠাত

## ‘পুষ্পা’ৰ অভিনেতা অল্লু অৰ্জুনৰ গ্ৰেপ্তাৰক লৈ উত্তাল দাক্ষিণাত্য

# দুপৰীয়া হ’ল গ্ৰেপ্তাৰ, সন্ধিয়া জেল, নিশা জামিন



**হায়দৰাবাদ, ১৩ ডিচেম্বৰঃ** সমগ্ৰ দেশৰ ছবিগৃহত 'পুষ্পা-২’ বৃহৎ সাফল্যৰ মাজতে আদালতৰ পৰা বৃহৎ সকাহ লাভ কৰিবলৈ সক্ষম হ’ল দক্ষিণৰ তাৰকা অভিনেতা আল্লু অৰ্জুনে। এই ছবিখনৰ প্ৰিমিয়াৰ শ্ব’ৰ সময়তে ২ পৃষ্ঠাত চাওক



## কংগ্ৰেছলৈ ষ্টিফেন লাক্ৰাসহ ১০জন নেতা

**ই-সংবাদ, গুৱাহাটী, ১৩ ডিচেম্বৰঃ** জাতীয় কংগ্ৰেছৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ আজি কেবাজনো গুৰুত্বপূৰ্ণ জাতীয় সংগঠনৰ নেতা আৰু শেষাংশ ৫ পৃষ্ঠাত

## গুৱাহাটীত জঘন্য কাণ্ড, গড়চুকত মহিলাক নিৰ্যাতন ৯টাকৈ পাষণ্ডৰ, ৭ পাষণ্ড গ্ৰেপ্তাৰ

**ই-সংবাদ, ১৩ ডিচেম্বৰঃ** আভিজাত্যৰ মহানগৰীক কলংকিত কৰিলে ৯ নৰপিশাচে। অসহায় মহিলাক ৯ নৰপিশাচে গণ ধৰ্ষণ কৰি বন্যা উল্লাস কৰি ভিডিঅ’ ৰেকৰ্ডিং কৰাৰ ঘটনাই লজ্জানত কৰিছে গুৱাহাটী মহানগৰবাসীক। গুৱাহাটীৰ শেষাংশ ৩ পৃষ্ঠাত

# এবছৰ নৌহওতেই অতীত হৈ পৰিল তিনি গগৈৰ ‘সেই প্ৰসংগ’

## এইবাৰ লুৰীণক প্ৰত্যুত্তৰ অখিল গগৈৰ

**ই-সংবাদ, ১৩ ডিচেম্বৰঃ** লোকসভা নিৰ্বাচনৰ চৌদিশে হৈছিল ‘তিনি গগৈ’ৰ চৰ্চা। তিনি গগৈয়ে হাতে হাত ধৰি শক্তি প্ৰদ্ৰশন কৰিছিল। উজনি অসমৰ ৰাজনীতিত প্ৰভাৱ পেলাই যোৰহাটৰ দৰে সমষ্টিত এক গগৈক জয়ী শেষাংশ ৪ পৃষ্ঠাত



## আক্ৰমণাত্মক অখিল

# এক নিৰ্বাচনে শেষ কৰিব দেশ!

**ই-সংবাদ, শিৱসাগৰ ১৩ ডিচেম্বৰঃ** 'এক দেশ এক নিৰ্বাচন’ বিধেয়ক গৃহীত হ'লে দেশৰ গণতান্ত্ৰিক ব্যৱস্থা ধ্বংসৰ মুখলৈ ঠেলি দিব। এক দেশ এক নিৰ্বাচনৰ যোগেদি বিজেপিয়ে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ধ্বংস কৰি একছত্ৰী শেষাংশ ৫ পৃষ্ঠাত

# আশ্ৰাফুলৰ সমষ্টি চেঙাত এতিয়া ই-ৰিক্সাই এম্বুলেন্স! পথতে সন্তান প্ৰসৱ

**ই-সংবাদ, নগৰবেৰা ১৩ ডিচেম্বৰঃ** ‘আছে গৰু নাবায় হাল, থকাতকৈ নথকাই ভাল।’ আপ্তবাক্যশাৰী অসমীয়া সমাজত





সততে ব্যৱহাৰ কৰা হয়। এই আপ্তবাক্যশাৰী মিল খাইছে নামনি অসমৰ চেঙা সমষ্টিৰ অকৰ্মণ্য শেষাংশ ৩ পৃষ্ঠাত

# ৰিজাৰ্ভ বেংক বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি

**নতুন দিল্লী, ১৩ ডিচেম্বৰঃ** আৰ বি আইৰ গৱৰ্ণৰৰ আসনত বহিয়েই ভাবুকিৰ সন্মুখীন হ’ল সঞ্জয় মালহোত্ৰা। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুম্বাইস্থিত মুখ্য কাৰ্যালয়ত বোমা বিস্ফোৰণৰ ভাবুকি শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুপৰীয়া হ’ল গ্ৰেপ্তাৰ, সন্ধিয়া জেল

হায়দৰাবাদত পদপিষ্ট হৈ এগৰাকী মহিলাৰ মৃত্যুৰ গোচৰত অভিনেতাগৰাকীক অন্তৰ্বৰ্তী জামিন প্ৰদান কৰিছে আদালতে। শুকুৰবাৰে তেলেংগানা উচ্চ ন্যায়ালয়ে তেওঁক ৫০ হাজাৰ টকাৰ বণ্ডত জামিন প্ৰদান কৰে। উল্লেখ্য যে, যোৱা ৪ ডিচেম্বৰত সন্ধিয়া হলত অনুষ্ঠিত হোৱা ‘পুষ্পা ২’ৰ প্ৰিমিয়াৰত ভিৰৰ মাজত পদপিষ্ট হৈ মৃত্যুক সাৱটিছিল এগৰাকী মহিলাই। একেটা সময়তে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল মহিলাগৰাকীৰ পুত্ৰও। ইফালে এই ঘটনাৰ পিছতে হায়দৰাবাদ আৰক্ষীয়ে আল্লুকে ধৰি ৭জন লোকৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰে। শুকুৰবাৰে পুৱা ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰা হয় অভিনেতাজনক। একে সময়তে সন্ধিয়া ছবিগৃহৰ স্বত্বাধিকাৰকে ধৰি আৰু দুজন লোকক গ্ৰেপ্তাৰ কৰা হয়। প্ৰণিধানযোগ্য যে, এই গোচৰত আজিয়েই হায়দৰাবাদৰ নিম্ন আদালতে আল্লু অৰ্জুনক ১৪ দিনৰ কাৰাদণ্ডৰ নিৰ্দেশ দিছিল। কিন্তু অভিনেতাগৰাকীয়ে গ্ৰেপ্তাৰক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ৰ কাষ চাপে আৰু এফআইআৰ বাতিল কৰিবলৈ আবেদন জনায়। এই গোচৰৰ শুনানি গ্ৰহণ কৰে ন্যায়াধীশ জে শ্ৰীদেৱীৰ বিচাৰপীঠে। শুনানিৰ সময়ত ন্যায়াধীশগৰাকীয়ে কয় যে মৃতকৰ পৰিয়ালৰ প্ৰতি আদালতৰ সহানুভূতি আছে। কিন্তু এই ঘটনাত অভিযুক্তৰ বিৰুদ্ধে দাখিল কৰা ধাৰা প্ৰযোজ্য নহয়। আদালতে লগতে কয় যে এজন নাগৰিক হিচাপে অভিযুক্তই নিজৰ স্বাধীনতা উপভোগ কৰাৰ অধিকাৰ আছে। আনহাতে পুষ্পা-২ৰ প্ৰিমিয়াৰৰ সময়মত ছবিগৃহত আল্লু অৰ্জুনৰ উপস্থিতিৰ কোনো আগতীয়া তথ্য দিয়া হোৱা নাছিল বুলি আৰক্ষীয়ে অভিযোগ উত্থাপন কৰে। আৰক্ষীৰ মতে, এই কাৰণতেই জনসমাগম নিয়ন্ত্ৰণৰ বাবে পৰ্যাপ্ত নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিব পৰা নগ’ল। অভিযুক্ত ছবিগৃহ কৰ্তৃপক্ষৰ বিৰুদ্ধেও গাফিলতিৰ অভিযোগ উত্থাপন কৰা হয়। ইফালে ঘটনাৰ পিছত আল্লুৱে ছ’চিয়েল মিডিয়াত শোক প্ৰকাশ কৰি মৃতকৰ পৰিয়াললৈ ২৫ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ কথা ঘোষণা কৰে। গোচৰটোৰ আইনী জটিলতা এতিয়াও সম্পূৰ্ণৰূপে সমাধান হোৱা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিক ধৰাশায়ী কৰি সংসদত

সৈতে ৰাজনৈতিক সাদৃশ্যও যেন উন্মুক্ত কৰি দিলে প্ৰিয়ংকা গান্ধীয়ে। সংসদৰ মজিয়াত কংগ্ৰেছৰ নৱ নিৰ্বাচিত সাংসদগৰাকীৰ ভাষণৰ সময়ত শুকুৰবাৰে নিশ্চুপ হৈ পৰা দেখা যায় শাসক-বিৰোধীৰ সকলো সতীৰ্থক। সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে সংসদত আয়োজিত এক আলোচনাত ভাগ লৈ প্ৰিয়ংকাই আৰম্ভ কৰে সদনৰ তেওঁৰ প্ৰথমটো ভাষণ। ভাষণৰ আৰম্ভণিতে তেওঁ ২০০১ চনৰ ১৩ ডিচেম্বৰত সংসদ ভৱনত সন্ত্ৰাসবাদী আক্ৰমণত নিহত নিৰাপত্তাৰক্ষীসকলক শ্ৰদ্ধাঞ্জলি জনায়। তাৰ পিছতে তেওঁ ভাষণত ভাৰতৰ গণতন্ত্ৰ আৰু সংবিধান সন্দৰ্ভত কেইবাটাও গুৰুতৰ বিষয় উত্থাপন কৰে। প্ৰথমটো ভাষণতে সাংবিধানিক বিতৰ্কৰ জৰিয়তে চৰকাৰক তীব্ৰ সমালোচনা কৰে প্ৰিয়ংকাই। তেওঁ কয় যে বৰ্তমান দেশৰ সংবিধান দুৰ্বল কৰাৰ প্ৰয়াস চলি আছে, যাৰ ফলত ভাৰতৰ গণতান্ত্ৰিক গাঁথনিৰ গভীৰ ক্ষতি হ’ব পাৰে। ভাষণত প্ৰিয়ংকাই বিশেষভাৱে ভাৰতীয় সংবিধান প্ৰণেতাসকলৰ কথা উল্লেখ কৰি ড০ বি আৰ আম্বেদকাৰ, মৌলানা আবুল কালাম আজাদ, চক্ৰৱৰ্তী ৰাজগোপালাচাৰী আৰু জৱাহৰলাল নেহৰুৰ অৱদানৰ কথা দোহাৰে। তেওঁ কয় যে এইসকল লোকেই ভাৰতৰ জনসাধাৰণক ‘ন্যায়ৰ ঢাল’ দিছিল যদিও নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ শাসনত ইয়াক দুৰ্বল কৰি তোলা হৈছে। তেওঁ উল্লেখ কৰে যে, "মোদী চৰকাৰৰ অধীনত সংবিধান 'জ্বলি আছে', যিটো গণতন্ত্ৰৰ বাবে বিপজ্জনক।" তেওঁ লগতে কয় যে দেশখনৰ বৰ্তমানৰ পৰিস্থিতি এনেকুৱা যে ইয়াক ব্ৰিটিছ শাসনৰ সময়ৰ সৈতে তুলনাযোগ্য। হাথৰছ আৰু উন্নাও ধৰ্ষণ কাণ্ড আৰু মণিপুৰত সংঘটিত সংঘৰ্ষকে ধৰি বিভিন্ন ঘটনাৰ উদ্ধৃতি দি শাসকীয় দলটোক তীব্ৰ লক্ষ্য কৰি লয় প্ৰিয়ংকাই। বিশেষকৈ তেওঁ কয়, "উত্তৰ প্ৰদেশৰ আগ্ৰাত এজন দলিত অনাময় কৰ্মীক আৰক্ষীয়ে প্ৰহাৰ কৰি হত্যা কৰিছিল, এয়া অতি অমানৱীয়।" ইফালে প্ৰিয়ংকাই এই কাণ্ডৰ বিষয়ে উল্লেখ কৰাৰ সময়ত শাসকীয় পক্ষৰ এজন সাংসদে হাঁহি থকা প্ৰত্যক্ষ কৰি তেওঁ কয়, "আপুনি হাঁহিছে, কিন্তু এয়া অতি দুৰ্ভাগ্যজনক!" ভাষণত প্ৰিয়ংকাই মোদী চৰকাৰৰ বিভিন্ন নীতিক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে সংবিধান দুৰ্বল কৰাৰ পদ্ধতিগত প্ৰচেষ্টা চলিছে। মণিপুৰৰ হিংসা আৰু আদানি বিতৰ্কইও স্থান লাভ কৰে প্ৰিয়ংকাৰ প্ৰথমটো ভাষণতে। প্ৰিয়ংকাই আদানিৰ প্ৰসংগ উত্থাপন কৰাৰ পিছতে ক্ষন্তেক সময়ৰ বাবে সদন উত্তাল কৰি তোলে শাসকীয় সাংসদসকলে। ইয়াৰ পিছতে প্ৰিয়ংকাই কয়, "ভাৰতীয় সংবিধান কিন্তু সংঘৰ বিধান নহয়।" ভাষণৰ এটা সময়ত প্ৰিয়ংকাই কয়, "মোদী চৰকাৰৰ কাৰ্যকালত গণতান্ত্ৰিক পৰিৱেশ যেন ভয়ৰ পৰিৱেশে আৱৰি ধৰিছে।" তেওঁ লগতে প্ৰশ্ন কৰে, "এয়াই নেকি সেই ভাৰত, যিখন ভাৰতৰ সপোন মহাত্মা গান্ধী, আম্বেদকাৰ আৰু নেহৰুৱে দেখিছিল?" সংসদত প্ৰিয়ংকাৰ প্ৰশ্ন- "সকলো দোষ কেৱল নেহৰুৱেই নেকি?" ইন্দিৰা গান্ধীৰ জৰুৰীকালীন অৱস্থাৰ উদ্ধৃতি দি চৰকাৰৰ বিৰুদ্ধেও অভিযোগ উত্থাপন কৰে কংগ্ৰেছ সাংসদগৰাকীয়ে। তেওঁ কয় যে ১৯৭৫ চনৰ বাবে ক্ষমা বিচৰা হৈছিল যদিও বৰ্তমানৰ চৰকাৰে কেতিয়াও তেনেকুৱা কাম নকৰে। ইয়াৰ উপৰিও প্ৰিয়ংকাই মোদী চৰকাৰৰ ‘কৰ্মচাৰী বিক্ৰী’, ‘সংৰক্ষণ ব্যৱস্থা বিলুপ্ত’ আৰু ‘কৃষক বিৰোধী নীতি’ক সমালোচনা কৰে। বিজেপিয়ে যি কৰিছে সেয়া অতি বিপজ্জনক আৰু জনসাধাৰণৰ বিৰুদ্ধে বুলি দাবী কৰে সাংসদগৰাকীয়ে। উল্লেখ্য যে, প্ৰিয়ংকাই নিজৰ ভাষণৰ সামৰণি মাৰে সংবিধানৰ মূল মন্ত্ৰ ‘সত্যমেৱ জয়তে’ৰ জৰিয়তে। তেওঁ কয় যে ভাৰত কেতিয়াও কাপুৰুষৰ হাতত নাথাকে, ইতিহাসেই তাৰ সাক্ষী। লক্ষণীয় যে, প্ৰিয়ংকাৰ এই ভাষণ কেৱল তেওঁৰ ৰাজনৈতিক জীৱনৰ এক নতুন অধ্যায় নহয়, সংসদত তেওঁৰ শক্তিশালী উপস্থিতিৰ বাৰ্তা বুলিও মন্তব্য কৰিছে ৰাজনৈতিক বিশ্লেষকসকলে। ৰাজনৈতিক আলোচকসকলৰ মতে, কংগ্ৰেছৰ সাংসদগৰাকীৰ প্ৰথম ভাষণে এক নতুন ৰাজনৈতিক বক্তৃতাৰ সূচনা কৰিছে, যিয়ে ভৱিষ্যতৰ ভাৰতীয় ৰাজনীতিত বহু পৰিমাণে প্ৰভাৱ পেলাব পাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰিজাৰ্ভ বেংক বোমাৰে উৰুৱাই দিয়াৰ

প্ৰদানৰ পিছতে সৃষ্টি হৈছে আতংকৰ। জানিব পৰা মতে, আৰ বি আইৰ ইমেইল আইডিলৈ ৰাছিয়ান ভাষাত প্ৰেৰণ কৰা এখন পত্ৰত এই ভাবুকি দিয়া হৈছে। এই ভাবুকি সম্পৰ্কে অৱগত হোৱাৰ লগে লগে ত্বৰিৎ গতিৰে আৰক্ষীয়ে আৰম্ভ কৰিছে তদন্ত। এম আৰ এ মাৰ্গ থানাত এজন অচিনাক্ত ব্যক্তিৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। বাতৰি অনুসৰি, ৰাছিয়ান ভাষাত লিখা চিঠিখন বৃহস্পতিবাৰে সন্ধিয়া নৱনিযুক্ত গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাৰ ইমেইল আইডিত প্ৰেৰণ কৰা হয়। মুম্বাই আৰক্ষীৰ এগৰাকী বিষয়াই জনোৱা মতে, এই পত্ৰত ভাৰতীয় ৰিজাৰ্ভ বেংক বোমা বিস্ফোৰণেৰে উৰুৱাই দিয়াৰ ভাবুকি দিয়া হৈছে। তদন্তকাৰীয়ে পত্ৰ প্ৰেৰকৰ আই পি এড্ৰেছ চিনাক্ত কৰিবলৈ চেষ্টা কৰিছে আৰু ইয়াক প্ৰেৰণ কৰা হৈছে নে নাই সেইটো নিৰ্ণয় কৰিবলৈ ভিপিএনৰ ব্যৱহাৰৰ ওপৰতো চকু ৰাখিছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে যোৱা নৱেম্বৰ মাহত ৰিজাৰ্ভ বেংকৰ গ্ৰাহক সেৱা বিভাগলৈ ভাবুকিমূলক ফোন আহিছিল যদিও সেয়া এক ভুৱা ফোন কল বুলি প্ৰমাণিত হৈছিল। কিন্তু এনে ঘটনা অব্যাহত থকাৰ বাবে প্ৰশাসনৰ অস্বস্তি বাঢ়িছে। মন কৰিবলগীয়া যে, শেহতীয়াকৈ আৰ বি আইৰ ২৬ সংখ্যক গৱৰ্ণৰৰ দায়িত্ব লোৱা সঞ্জয় মালহোত্ৰাই আগন্তুক তিনিবছৰলৈ এই পদত অধিষ্ঠিত থাকিব। আনহাতে তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰাৰ মাত্ৰ কেইদিনমানৰ পিছতে এই ভাবুকি লাভ কৰিছে আৰ বি আইয়ে। লক্ষণীয় যে, শেহতীয়াকৈ কেইবাটাও বিমান সংস্থা, হোটেল, ৰে’লতো বিস্ফোৰণৰ ভাবুকি প্ৰদান কৰা হৈছে যদিও তদন্তত সেইবোৰ ভুৱা ভাবুকি বুলি ধৰা পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত জঘন্য কাণ্ড, গড়চুকত

গড়চুকত নিজাৰাপাৰত সংঘটিত ৯ লম্পটে আসুৰিক যৌন তৃপ্তি ল'বলৈ এগৰাকী মহিলাৰ সৈতে বৰ্বৰ কাণ্ড সংঘটিত কৰাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এটা ভিডিঅ'ৰ দ্বাৰা ঘটনা পোহৰলৈ অহাত ধৰ্ষণ কাণ্ডৰ মাষ্টাৰ মাইণ্ড অভিযুক্ত দীপাংকৰ মুখীয়া (২১), কুলদ্বীপ নাথ (২৩), পিংকু দাস (১৮), মৃণাল ৰাভা (১৯), গগন দাস (২১), বিজয় ৰাভা (২২), সৌৰভ বড়ো (২০) জালত পৰিছে। বৰ্তমানেও পলাতক ৰবীন দাস আৰু কৃষ্ণ নামৰ আন দুই লম্পট। গুৱাহাটীৰ বৰাগাঁৱৰ নিজাৰাপাৰত এগৰাকী মহিলাক গণধৰ্ষণ কৰা হৈছে। গণধৰ্ষণ কৰাই নহয় অপকৰ্ম কৰাৰ সময়ৰ দৃশ্য ৰেকৰ্ডিং কৰি ভাইৰেল কৰা হৈছিল। ৰাইজক হতবাক কৰি তুলিছে। সমগ্ৰ ঘটনাৰ ভিডিঅ' ইতিমধ্যে ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছিল। যাৰ ফলত ব্যাপক নিন্দা আৰু ক্ষোভৰ সৃষ্টি হয়। গড়চুক আৰক্ষীয়ে ভিডিঅ'টোৰ প্ৰমাণৰ ওপৰত ভিত্তি কৰি ৭জনক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰাসকলৰ ভিতৰত আছে দীপাংকৰ, কুলদীপ, পিংকু দাস, মৃণাল, গগন, বিজয় আৰু সৌৰভ। আৰু তিনিজন অভিযুক্ত ৰবীন দাস আৰু কৃষ্ণ এতিয়াও পলাতক হৈ আছে। আৰক্ষীয়ে দুজনক ধৰিবলৈ অভিযান অব্যাহত ৰখা বুলি জানিব পৰা গৈছে। বৰাগাঁৱৰ নিজাৰাপাৰৰ দুৰ্গা মন্দিৰ প্ৰাংগণত মহিলাক প্ৰথমে ৯জন অভিযুক্তই বন্দী কৰা বুলি জানিব পৰা গৈছে। দুৰ্গা মন্দিৰৰ প্ৰাংগণত নৰাধমৰ দলটোৱে দলবদ্ধ ধৰ্ষণ কৰিছিল মহিলাক। অপকৰ্ম কৰি ভিডিঅ' প্ৰস্তুত কৰি ভাইৰেল কৰিছিল। ভাইৰেল ভিডিঅ'টো বৰাগাঁৱৰ স্থানীয় ৰাইজে গড়চুক আৰক্ষীক লদিয়াৰ লগে লগে আৰক্ষীৰ দল সক্ৰিয় ভূমিকা গ্ৰহণ কৰি প্ৰথমছমে দুই লম্পটক গ্ৰেপ্তাৰ কৰে। দুই লম্পটৰ স্বীকাৰোক্তিৰ ভিত্তিত পুনৰ ৫ জনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। কিন্তু এতিয়াও দুই সম্পট পলাতক। এই পৰ্যন্ত উদ্ধাৰ হোৱা নাই বৰ্বৰ কাণ্ডৰ বলি মহিলাগৰাকী। অকলশৰীয়া মহিলাগৰাকী বৰাগাঁৱলৈ আহিছিল নে কৰবাৰ পৰা অপহৰণ কৰি অনা হৈছিল সেই কথা এই পৰ্যন্ত পোহৰলৈ অহা নাই। মহিলাই আৰক্ষীৰ কাষ চাপিছিল নে নাই সেই কথা জানিব পৰা হোৱা নাই। কিন্তু ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱাত ঘটনা পোহৰলৈ আহিছে। আৰক্ষীয়ে মহিলাগৰাকীৰ পৰিচয় তদন্তৰ খাতিৰত গোপনে ৰাখিব পাৰে। কেতিয়া ঘটনা সংঘটিত কৰিছিল সঠিক সময় অস্পষ্ট। গুৱাহাটীৰ মহানগৰীত এগৰাকী অসহায় মহিলাক ৯ নৰপিশাচে গণধৰ্ণ কৰাৰ অভিযোগে সমগ্ৰ ৰাজ্যকে জোকাৰি গৈছে। যুৱতীৰ শৰীৰৰ পৰা আসুৰিক তৃপ্তি লৈ চিত্ৰগ্ৰহণ কৰা কাণ্ডই হতচকিত কৰিছে ৰাজ্যবাসীক। মহানগৰীৰ পশ্চিম আৰক্ষী আয়ুক্ত পদ্মনাভ বৰুৱাই এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে নিশা গড়চুক আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ময়ুৰজিৎ গগৈলৈ এটা তথ্য আহিছিল। বৰাগাঁও অঞ্চলত হোৱাটছএপত ভিডিঅ' চাৰ্কুলেট হৈ আছে। য'ত মানুহ এগৰাকীক দলবদ্ধ ধৰ্ষণ কৰি থকা দেখা গৈছে। প্ৰায় ৮-৯ জন মানুহ আৰু এগৰাকী মহিলা। গাত কাপোৰ-কানি নাই আৰু বৰ্বৰতাৰে যৌন উৎপীড়ন চলিছে। গড়চুক আৰক্ষী থানাৰ এটা দলে নিশা প্ৰায় ৩ বজাতে বৰাগাঁৱত অভিযান চলায়। দুজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। প্ৰথমে দুজনক তাৰ পিছতে জালুকবাৰী, গড়চুক, নুনমাটিত অভিযান চলাই ৭ জনক ধৰিবলৈ সক্ষম হৈছো। আৰক্ষীয়ে অনুমান কৰা মতে এই ঘটনা ১৭ নৱেম্বৰত সংঘটিত হৈছিল। সেইখিনি সময়ত ৰাস চলি আছিল। বৰাগাঁও অঞ্চলত ৰাস চাবলৈ আহি নিজৰাপাৰৰ দুৰ্গা মন্দিৰৰ চৌহদত মদ, ড্ৰাগছ সেৱন কৰি আছিল। এজন যুৱকে মহিলাগৰাকীক লৈ আহিছিল। আটাইকেইজনে মহিলাগৰাকীক শাৰীৰিক নিৰ্যাতন চলাই দলবদ্ধ ধৰ্ষণ কৰিছিল আৰু ভিডিঅ' বনাইছিল। গুৱাহাটী মহানগৰীৰ মাজমজিয়াত সংঘটিত এই ঘটনাক লৈ এতিয়া সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আশ্ৰাফুলৰ সমষ্টি চেঙাত এতিয়া

বিধায়ক আশ্ৰাফুল হুছেইনৰ সৈতে। আশ্ৰাফুল হুছেইন জনপ্ৰতিনিধি হৈ আছে যদিও কামত নাই। সমষ্টিৰ ৰাইজৰ বাবে একো কৰিব পৰা নাই বিধায়ক হুছেইনে। একালৰ সংখ্যালঘূ দৰদী নেতা হোৱাৰ ভাও ধৰি নিশাৰ ভিতৰেত সাম্প্ৰদায়িক এআইইউডিএফত যোগদান কৰাত আশ্ৰাফুলক টিকট দিছিল দলটোৱে। সংখ্যালঘূ এলেকাত চলা বিজেপি বিৰোধী ঢৌত জয়ী হৈ দিছপুৰ পোৱাৰ পিছৰে পৰা সমষ্টিলৈ ঘুৰি নোচোৱা হৈছে হুছেইনে। সমষ্টিবাসীৰ দুখ, দুৰ্দশাক আওকান কৰি দিছপুৰৰ আৰাসত বিলাসী জীৱন কটোৱা আশ্ৰাফুল এতিয়া কেবাকোটি টকাৰ মালিক বুলি অভিযোগ উত্থাপন কৰি আহিছে সমষ্টিৰ ৰাইজে। ৰাজ্যসভা, ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ভোট বিক্ৰী কৰাৰ অভিযোগ থকা আশ্ৰাফুলে গুৱাহাটীত দুই ঠাইত মাটি কিনি বিলাসী ঘৰ বনাই থকা বুলি সমষ্টিত অভিযোগ উত্থাপন হৈ আহিছে। শীত-তাপ নিয়ন্ত্ৰিত গাড়ী-ঘৰ নহ'লে চলিব নোৱাৰা হৈ পৰা আশ্ৰাফুলে সমষ্টিৰ বাট-পথৰ কাম নকৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। বানপীড়িত সমষ্টিটোত খৰালিকালত বাট-পথ মেৰামতি তথা নিৰ্মাণৰ ব্যৱস্থা নকৰাত ৰাইজে যমৰ-যাতনা ভূগি আহিছে। বৰপেটাৰ চেঙা সমষ্টিৰ স্বাস্থ্য সেৱা আৰু বাট-পথৰ পুতৌলগা অৱস্থা উন্মোচিত হৈছে। স্বাস্থ্য সেৱাৰ প্ৰয়োজনীয় সা-সুবিধা আৰু বাট-পথৰ দুৰৱস্থাই উন্নয়ন ফোঁপোলা স্বৰূপ দাঙি ধৰিছে। সমষ্টিৰ চৰাঞ্চলৰ বহু ৰোগী প্ৰয়োজনীয় চিকিৎসা সেৱাৰ পৰা বঞ্চিত হৈ হাহাকাৰ কৰাৰ লগতে মাজে মাজেই সাঙি, ঘোঁৰাৰ গাড়ী, অথবা ই-ৰিক্সাৰে গৰ্ভৱতী মহিলাক চিকিৎসালয়লৈ আনিবলগীয়া হোৱাত আদবাটতে সন্তান প্ৰসৱ কৰিবলগীয়া হয়। আজি চৰাঞ্চলৰ চেঙা সমষ্টিৰ ভাতনাপাইতিৰ পৰা এগৰাকী গৰ্ভৱতী মহিলাক আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ আনোতে বাটতে ই-ৰিক্সাত মহিলাগৰাকীয়ে সন্তান প্ৰসৱ কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ভাতনাপাইতি অঞ্চলৰ মৰ্জিনা বেগমৰ আজি আবেলি প্ৰসৱ বেদনা আৰম্ভ হোৱাত পৰিয়ালে এম্বুলেন্স বিচাৰে। কিন্তু বাট-পথৰ শোচনীয় অৱস্থাৰ বাবে মহিলাগৰাকীৰ ঘৰলৈ যাব নোৱাৰে এম্বুলেন্সখন। ফলত উপায়ন্তৰ হৈ পৰিয়ালৰ লোকে ভাড়াত লোৱা ই-ৰিক্সাৰে মহিলাগৰাকীক আলোপতি চৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়াৰ ব্যৱস্থা কৰে। কিন্তু চিকিৎসালয়লৈ নি থকা অৱস্থাত মহিলাগৰাকীয়ে আদবাটত ই-ৰিক্সাতেই সন্তান প্ৰসৱ কৰে। পানী কেঁচুৱা আৰু অসুস্থ মাতৃক চিকিৎসাৰ বাবে আলোপতি ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালত ভৰ্তি কৰি প্ৰাথমিক চিকিৎসা প্ৰদান কৰে। কেঁচুৱাসহ প্ৰসূতিগৰাকী চিকিৎসালয়ত সম্পূৰ্ণ সুস্থ অৱস্থাতে আছে। চেঙা সমষ্টিৰ ভাতনাপাইতিকে ধৰি বিভিন্ন এলেকাৰ এতিয়া কদৰ্য্যময় অৱস্থা। বহু ঠাইৰ বাট-পথ বিধ্বস্ত হৈ পৰাত পয়ালগা অৱস্থাৰ দেখা যায়। বহু ঠাইলৈ গাড়ী যাব নোৱাৰে। কিয়নো পথৰ চিন-চাবেই নাই। বিধ্বস্ত হোৱা বাট-পথৰ বাবে বিভিন্ন সময়ত ৰোগী কঢ়িওৱাত সমস্যাৰ সন্মুখীন হয় অভিভাৱক। শীঘ্ৰে চৰাঞ্চলৰত থকা স্বাস্থ্য কেন্দ্ৰসমূহত প্ৰয়োজনীয় স্বাস্থ্য সেৱা উপলব্ধ কৰাৰ লগতে আলোপতি চৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত অতিৰিক্ত এম্বুলেন্স প্ৰদান আৰু বিধ্বস্ত বাট-পথসমূহ মেৰামতিৰ ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনাইছে সমস্যাৰ সন্মুখীন হৈ অহা ভুক্তভোগী ৰাইজে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এবছৰ নৌহওতেই অতীত হৈ পৰিল

কৰাইছিল। কিন্তু লোকসভা নিৰ্বাচনৰ পিছত অনুষ্ঠিত উপ-নিৰ্বাচনৰ পিছতে তিনি গগৈৰ মাজৰ পৰা আতৰি গৈছিল গৌৰৱ গগৈ। থাকি গৈছিল দুই গগৈ অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈ। এইবাৰ লুৰীণ আৰু অখিলৰ মাজত সংঘাত স্পষ্ট হৈছে। উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি কংগ্ৰেছ, অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলৰ মিত্ৰতা ভংগ হোৱাত 'তিনি গগৈ' যুটি দ্বৈত গগৈ যুটীত পৰিণত হৈছিল। বিহালী সমষ্টি চিপিআইএমএলক এৰি নিদিয়াত অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈয়ে গৌৰৱ গগৈক লক্ষ্য কৰা লৈছিল। অসম সন্মিলিত মৰ্চাৰ পৰা কংগ্ৰেছক আতৰাই বিহালীৰ উপ-নিৰ্বাচনত প্ৰাৰ্থী থিয় কৰাইছিল অখিল গগৈ আৰু লুৰীণজ্যোতি গগৈয়ে। গৌৰৱ গগৈয়ে মিত্ৰতাৰ ধৰ্ম পালন নকৰি প্ৰাৰ্থী থিয় কৰোৱাত যোৰহাটৰ সাংসদ গৌৰৱ গগৈক কুকুৰে কাইট নোখোৱাকৈ সমালোচনা কৰিছিল অখিল-লুৰীণে। কিন্তু লুৰীণ আৰু অখিলৰ সম্পৰ্ক দীঘলীয়া নোহোৱাৰ ইংগিত পোৱা গৈছে। দল একত্ৰিকৰণক লৈ হোৱা সংঘাতৰ ফলত লুৰীণ আৰু অখিলৰ সম্পৰ্কত ফাট মেলিছে। ২০২১ চনত 'কা' আন্দোলনৰ গৰ্ভত জন্ম পোৱা অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলে আজিলৈ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ সমৰ্থ নোহোৱাৰ সময়তে দল একত্ৰিকৰণক লৈ দুয়োটা দলৰ মাজত ভয়ানক সংঘাত আৰম্ভ হৈছে। ইটো দলে সিটো দলক আক্ৰমণ-প্ৰত্যাক্ৰণ কৰিবলৈ আৰম্ভ কৰিছে। অসম জাতীয় পৰিষদৰ নেতা লুৰীণ আৰু অখিলৰ মাজত আৰম্ভ হৈছে বাকযুদ্ধ। এই বাকযুদ্ধই ভয়ংকৰ ৰূপ লৈছে। অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দল একত্ৰিকৰণক লৈ বিগত এটা বছৰে ব্যাপক চৰ্চা অব্যাহত আছে। দুয়োটা দল ৮জনীয়া সমিতি গঠন কৰি দিছিল। এই সমিতিয়ে কেবাবাৰো বৈঠক পাতি শেষত দিয়া প্ৰতিবেদনত দুয়োটা দলক একত্ৰিত হোৱাৰ পৰামৰ্শ দিছিল। কিন্তু দুদিন পূৰ্বে লুৰীণজ্যোতি গগৈয়ে একত্ৰিকৰণ অস্বীকাৰ কৰে। লুৰীণজ্যোতি গগৈয়ে এটা টিভি চেনেলক সাক্ষাতকাৰত অখিল গগৈৰ দলটোক মাক্সবাদী আখ্যা দিছিল। লগতে অসম জাতীয় পৰিষদক জাতীয়তাবাদী দল আখ্যা দিয়ে। দুয়োটা দলৰ আদৰ্শ বেলেগ হোৱাৰ বাবে কেতিয়াও মিল হ'ব নোৱাৰে বুলি কয়। লুৰীণজ্যোতি গগৈৰ এই মন্তব্যৰ প্ৰত্যুত্তৰ দিছে অখিল গগৈয়ে। আজি লুৰীণজ্যোতি গগৈক উভতি ধৰি অখিলে এই মন্তব্যৰ উত্তৰ নিদিও বুলি কৈ বাৰে বাৰে লুৰীণজ্যোতি গগৈক আক্ৰমণৰ লক্ষ্য কৰি লয়। লুৰীণৰ দৃষ্টিভংগী ভুল দৃষ্টিভংগী আখ্যা দিয়ে অখিলে। অখিল গগৈয়ে কয় যে লুৰীণজ্যোতি গগৈয়ে তেখেতৰ দৃষ্টিভংগীৰে কথা কৈছে। সেইটো তেখেতৰ ভুল দৃষ্টিভংগী। মানুহৰ কিবা ক'বলগীয়া থাকিলে ক'ব পাৰে। তাত মোৰ ক'বলগীয়া একো নাই। প্ৰশ্ন হৈছে আঞ্চলিক দল একলগ হৈ থাকিব লাগে নে বেলেগ কৈ থাকিব লাগে। এইকাৰণে এটা সমিতি গঠন কৰা হৈছিল। ৰাইজৰ দলৰ আৰু চাৰিজন আৰু অসম জাতীয় পৰিষদৰ চাৰিজন সদস্যক লৈ সমিতি গঠন কৰা হৈছিল। সমিতিয়ে চাৰিবাৰ বৈঠক কৰিছে। এই বৈঠকৰ অন্তত দিয়া প্ৰতিবেদনত দুয়োটা দলক একত্ৰিত হ'ব লগা বুলি কৈছিল। কিন্তু তাৰ পিছতো অসম জাতীয় পৰিষদে একত্ৰিকৰণক লৈ সন্মতি প্ৰদান নকৰিলে। একত্ৰিকৰণ প্ৰস্তাৱ অসম জাতীয় পৰিষদে অস্বীকাৰ কৰা বুলি দাবী কৰি অখিল গগৈয়ে কয় যে এটা কথা স্পষ্ট হ'ল যে অসম জাতীয় পৰিষদৰ সভাপতিয়ে কৈ দিছে একত্ৰিত নকৰো। কিন্তু ৰাইজে আমাক কৈ থাকে দুয়োটা দলে একত্ৰিকৰণ হ'ব লাগে। দুয়োটা দলৰ একেই কৰ্মপন্থা। আমিও প্ৰয়াস কৰিছিলো একত্ৰিত হ'বলৈ। ৰাইজৰ দলে প্ৰয়াস কৰিছিলো। কিন্তু অসম জাতীয় পৰিষদে ৰিজেক্ট কৰিছে। সেয়া হৈছে ইতিহাস। কিন্তু লুৰীণজ্যোতি গগৈয়ে কি কৈছে সেইটো আমাৰ বাবে গুৰুত্বপূৰ্ণ নহয়। আমি জানো যে লুৰীণজ্যোতি গগৈৰ কিবা এটা অজুহাত বা কাৰণৰ প্ৰয়োজন হৈ পৰিছে। সেই সম্পৰ্কত আমাৰ একো ক'বলগীয়া নাই। এতিয়াৰ পৰা এই সম্পৰ্কত সাংবাদিকে মোক একো নুসুধিব। ৰাইজেও আমাক সুধিব। কিন্তু আমি একলগ হ'ব খুজিছিলো। কিন্তু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কৈছে যে আমি একলগ নহও। একলগ হ'ব পাৰিলে ভাল হলহেঁতেন। ৰাইজৰ বেছি কাম কৰিব পাৰিলোহেঁতেন। হঠাতে তেওঁ এটা অজুহাত দেখুৱালে বুলিও কয় অখিল গগৈয়ে। এনেদৰে এতিয়া তিনি গগৈৰ মাজত স্পষ্ট হৈ পৰিছে ৰাজনৈতিক সংঘাত। উল্লেখ্য যে, জনতাৰ মাজলৈ গৈ দুয়োটা দলে এবাৰ বিধানসভা আৰু এবাৰ লোকসভাত প্ৰতিদ্বন্দ্বিতা কৰি মুখথেকেচা খাইছে। এটা দলৰ এজনো বিধায়ক নাই আন এটা দলৰ হাতত আছে এজন বিধায়ক। সেই বিধায়কজন কাৰাগাৰত বন্দী হৈ থকাৰ সময়ত আৱেগৰ ঢৌত জয়ী হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিশিষ্ট কবি মীৰা ঠাকুৰৰ বিদায়

মৃদুভাষী মীৰা ঠাকুৰৰ যোৱা নিশা হৃদৰোগজনিত ৰোগত নেমকেয়াৰ হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ অসম কবি সমাজ আৰু গুৱাহাটী মহানগৰ কবি সমাজৰ বিভিন্ন পদবীত অধিষ্ঠিত হৈছিল। তেওঁ ৰূপনগৰ শতদল সাহিত্য সভাৰ ১৯৯৪ৰ পৰা ১৯৯৮ লৈ উপ-সভাপতি থকাৰ লগতে "ৰূপজ্যোতি" মুখপত্ৰৰ ৪ৰ্থ-৫ম-৬ষ্ঠ সংখ্যা পত্ৰিকাৰ সম্পাদক আছিল। মীৰা ঠাকুৰক "বিষ্ণুপ্ৰিয়া মণিপুৰী ৰাইটাৰ্চ ফ'ৰাম"এ "সমন্বয় বঁটা"ৰে সন্মানিত কৰিছিল। তেওঁ মহানগৰীৰ ৰূপনগৰৰ স্থায়ী বসতি কৰিছিল যদিও খানাপাৰাৰ বিজ্ঞান যাদুঘৰৰ সমীপৰ চৰকাৰী বাসভৱনত আছিল। তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মাই কয়, "আমি এজনা সুখ্যাত মানৱতাবাদী কবিক হেৰুৱালো। সমাজ দায়বদ্ধশীল লেখিকা আছিল। সমাজ নিৰ্মাণৰ বাবে কবিতা সৃষ্টি কৰিছিল। তেওঁৰ কাপৰ পৰা নিৰ্গত হৈছিল কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ।' এইগৰাকী সুখ্যাত কবি-সাহিত্যিক মীৰা ঠাকুৰৰ বিয়োগত অসম কবি সমাজৰ প্ৰাক্তন সভাপতি ৰমেন কলিতা, অসম লেখিকা সমাজৰ সভাপতি পদুমী গগৈ, কাৰ্যকৰী সভাপতি ৰেণু মহন্ত, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি লক্ষ্মীন্দ্ৰ সিংহ, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষ কিশোৰ কুমাৰ জৈন, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, সাহিত্য সাধনা মঞ্চ, অসমৰ মুখ্য উপদেষ্টা বিনয় কুমাৰ শৰ্মা, জৰ্জ কোৰ্ট বাৰ এচোছিয়েশ্যন, গুৱাহাটীৰ সাধাৰণ সম্পাদক দীপক কুমাৰ বৰুৱা, আসাম লুতাদৰ সম্পাদক ড০ অৰিন্দম প্ৰিন্স পাংগিং, বিশিষ্ট গীতিকাৰ-সুৰকাৰ ডিজেন কাকতি, প্ৰবীণ কবি-সাহিত্যিক দুৰ্গা প্ৰসাদ শৰ্মা, লেখিকা সংস্থা, অসমৰ বামুণীমৈদাম শাখাৰ সম্পাদক পুতুলী ঠাকুৰীয়া মেধি, পৰাগজ্যোতি প্ৰকাশন, অসম শিশু সাহিত্য সমাজ, স্বেচ্ছাসেৱী অনুষ্ঠান "ৰং" আদি দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছলৈ ষ্টিফেন লাক্ৰাসহ ১০জন নেতা

ৰাজনৈতিক দলৰ নেতৃত্ব বহন কৰা নেতাই কংগ্ৰেছত যোগদান কৰে। ৰাজীৱ ভৱনত নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিঙৰ উপস্থিতিত আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন বৰাৰ সঞ্চালনাত অনুষ্ঠিত সভাত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ষ্টিফেন লাক্ৰাসহ কেবাগৰাকী আদিবাসী নেতাই কংগ্ৰেছত যোগদান কৰে। এই নেতাকেইগৰাকী হৈছে আদিবাসী জনগোষ্ঠীৰ প্ৰভাৱশালী নেতা ষ্টিফেন লাক্ৰা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি মেলকাছ টপ্প, সাংস্কৃতিক সম্পাদক বাদল কাৰ্তি, কাৰ্যবাহী সদস্য শংকৰ কৰ্মকাৰ আৰু আদিবাসী গায়ক ভিক্টৰ লাক্ৰা। ৰাজীৱ ভৱনত প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিং, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভুপেন বৰাই আদিবাসী নেতাকেইজনক কংগ্ৰেছ দললৈ আদৰণি জনায়। জীতেন্দ্ৰ সিং আৰু ভুপেন বৰাই ফুলাম গামোচা পিন্ধাই আদিবাসী নেতাসকলক দললৈ আদৰণি জনাইছে। আজিৰ যোগদান সভাখনত এআইইউডিএফৰ দুই সাধাৰণ সম্পাদকেও কংগ্ৰেছত যোগদান কৰে। এআইইউডিএফৰ সাধাৰণ সম্পাদক আনোৱাৰ আলী, ড০ হাৰুণ আহমেদ, এনপিপি নেতা আব্দুল বাটেন ছিকদাৰ, চেঙাৰ আটোৰাৰ ৰহমান ভূঞা, আব্দুল আৱালে কংগ্ৰেছত যোগদান কৰে। যোগদান সভাত নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিঙে আদিবাসী নেতাকেইজনক দললৈ আদৰণি জনাই কয় যে সকলো প্ৰকাৰৰ লোক, জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে, বিশেষকৈ দৰিদ্ৰ লোকসকলৰ বাবে কংগ্ৰেছ দলৰ অন্তৰত সুকীয়া স্থান আছে। কংগ্ৰেছে দৰিদ্ৰ লোকৰ আঘাত অনুভৱ কৰা জানে। নিজৰ ভাষণত ষ্টিফেন লাক্ৰাৰ প্ৰসংগও উল্লেখ কৰে সিঙে। ষ্টিফেন লাক্ৰাই নিজ জনগোষ্ঠীৰ বাবে বহু আন্দোলন কৰিলে বুলি কৈ কয় যে আপুনি আক্ৰমণৰ বলি হৈছে। জনজাতিৰ বাবে তেজ দিছে। ঘাম দিছে। গৰীৱ, জনতাৰ বাবে কাম কৰাৰ বাবে আৰক্ষী আৰু চৰকাৰে অত্যাচাৰ কৰিছে। কিন্তু আপোনাৰ জনজাতিয়ে বিচাৰিছিল ৰাজনৈতিক যাত্ৰা কৰাটো। জীতেন্দ্ৰ সিঙে আজি কংগ্ৰেছত যোগ দিয়া প্ৰতিগৰাকী নেতাকেই আদৰণি জনাই সকলোকে অসমৰ প্ৰগতি আৰু উন্নয়নৰ হকে কাম কৰিবলৈ আহ্বান জনায়। আনাহতে, নেতাকেইজনক দললৈ আদৰণি জনাই ভুপেন বৰাই কয় যে বিজেপিৰ ফেঁচীবাদ আৰু সাম্প্ৰদায়িকতা, ঘৃণাৰ বাতাবৰণ সৃষ্টি কৰিবলৈ জাত, পাত, ধৰ্মৰ নামত কৰা বিভাজনৰ ৰাজনীতি, চিণ্ডিকেট ৰাজ, দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে শক্তিশালী যুঁজ দিবলৈ অসমৰ যিকোনো ব্যক্তি, যিকোনো দল-সংগঠনৰ নেতাক ৰাজীৱ ভৱনলৈ হিয়া উজাৰি আদৰিবলৈ সদায়েই সাজু হৈ থাকো। আজি যিসকলে যোগদান কৰিছে সংখ্যাত কম হ'ব পাৰে। কিন্তু আটাইকেইগৰাকীয়ে এটা এটা সংগঠনক সন্মুখৰ পৰা দীঘলীয়া সময় ধৰি নেতৃত্ব দি আহিছে। মই জীতেন্দ্ৰ সিং ডাঙৰীয়াক যেতিয়া এখেতসকলৰ কথা কৈছিলো তেতিয়া তেখেতে খোদ কৈছিল এই যোগদান সভাত ময়ো থাকিম। জীতেন্দ্ৰ সিং ডাঙৰীয়াই বিচাৰে অসমৰ পৰা ভ্ৰষ্টাচাৰী, দুৰ্নীতিগ্ৰস্ত বিজেপি আতৰি যাওক। আজি অসমত ৬ হাজাৰ চাকৰিৰ বাবে ১৬ লক্ষ নিবনুৱাই আবেদন কৰে। আজি অসমত ৩২ লক্ষ নিবনুৱা আছে। বিজেপিৰ নেতাক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চিণ্ডিকেট চলাই থকাৰ সুবিধা দিয়াৰো অভিযোগ উত্থাপন কৰে বৰাই। এডিআৰ পৰীক্ষাত পিয়ন, চালকৰ পদত লক্ষ লক্ষ যুৱকে আবেদন কৰাৰ বিষয়টোত উদ্বেগ প্ৰকাশ কৰি বৰাই আৰু কয় যে বিজেপিৰ ল'ৰাই চিণ্ডিকেট চলাই লক্ষ লক্ষ টকা অবৈধভাৱে উপাৰ্জন কৰি আহিছে। কিন্তু অসমৰ ল'ৰাই ড্ৰাইভাৰ হৈ ঘৰ চলাব। এয়া হৈছে অসমৰ মুখ্যমন্ত্ৰীৰ চিন্তা। মই আজিৰ এই যোগদান সভাৰ পৰাই আহ্বান জনাই সকলোকে কৈছো যে অসমৰ যিসকল লোক বিজেপি বিৰোধী সকলোৱে কংগ্ৰেছৰ সৈতে চামিল হওক। বিজেপি বিৰোধী লোকৰ বাবে ৰাজীৱ ভৱনৰ দুৱাৰ খোলা আছে। জীতেন্দ্ৰ সিং ডাঙৰীয়াৰ উপস্থিতিত সকলোকে আদৰণি জনাম। নতুনকৈ যোগদান কৰা আদিবাসী নেতাসকলক বৰাই কয় যে আপোনালোকে কংগ্ৰেছৰ একো একোজন সেনাপতি। আজিৰ পৰা বিজেপি বিৰোধী যুঁজখনৰ আপোনালোক এজন এজন সেনাপতি। আজিৰ এই যোগদান কাৰ্যসূচীত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক পৃথ্বিৰাজ সাথে, জ্যেষ্ঠ নেতা মনোজ চৌহানৰ লগতে অসমৰ দায়িত্বত থকা বিশেষ পৰ্যবেক্ষক বিকাশ উপাধ্যয়ৰ লগতে কেবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এক নিৰ্বাচনে শেষ কৰিব দেশ!

শাসন চলাবলৈ বিচাৰি আছে।" কালি মোদী কেবিনেটে 'এক দেশ এক নিৰ্বাচন' বিধেয়কত অনুমোদন জনোৱাৰ পিছতে আজি শিৱসাগৰত এক সংবাদমেল সম্বোধন কৰি এই মন্তব্য কৰে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। তেওঁ লগতে দেশৰ সকলো বিৰোধী দলৰ সাংসদলৈ এই বিধেয়কৰ বিৰুদ্ধে থিয় দিবলৈ আহ্বান জনায়। অখিল গগৈয়ে আৰু কয় যে যদি এই ব্যৱস্থাক বিজেপিয়ে বাস্তৱ ৰূপ দিব পাৰে তেন্তে তেওঁলোকে নিশাটোৰ ভিতৰতে দেশৰ সংবিধান সলনি কৰি পেলাব। দেশত এক দেশ এক নিৰ্বাচন ব্যৱস্থা থাকিলে দেশখনত যিটো দলৰ পক্ষত নিৰ্বাচনী বতাহ বলিব সেই দলেই বিধানসভা আৰু লোকসভাত চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ব। মুঠৰ ওপৰত দেশৰ গণৰাজ্যৰ যিটো পৰিকাঠামো আছে ইয়াক এক দেশ এক নিৰ্বাচনে ভাঙি পেলাব বুলি অখিল গগৈয়ে উল্লেখ কৰে। ইয়াৰ লগতে সংবাদমেলখনত অখিল গগৈয়ে কয় যে যদি দেশৰ প্ৰান্তীয় প্ৰদেশ অসমৰ বিষয়ে উল্লেখ কৰিবলৈ যাও তেন্তে কেন্দ্ৰীয় চৰকাৰখনে অসমক বিভিন্ন দিশৰ পৰা বঞ্চিত কৰি অহাৰ বিভিন্ন উদাহৰণ আছে। এই একে পন্থাকে সাৰোগত কৰি হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনেও অসমত কাম কৰি আছে। শিৱসাগৰ এখন বিশ্ব ঐতিহ্য ক্ষেত্ৰ। তথাপিও আজিলৈকে শিৱসাগৰত বিজেপি চৰকাৰখনে এখনো কেবিনেট বৈঠক অনুষ্ঠিত কৰিবলৈ সক্ষম হোৱা নাই। সেয়ে আমাৰ দাবী থাকিল, যাতে ৰাজ্য চৰকাৰখনে শিৱসাগৰত এখন কেবিনেট বৈঠক অনুষ্ঠিত কৰি শিৱসাগৰীয়া ৰাইজৰ প্ৰতি থকা দায়বদ্ধতা প্ৰকাশ কৰক। ইফালে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ ভাষ্য সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অখিল গগৈয়ে কয় যে, জনসাধাৰণে কৈছে ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদ একত্ৰিকৰণ হ'ব লাগে। ৰাইজে যি কৈছে সেয়াহে গুৰুত্বপূৰ্ণ। কিন্তু লুৰীণজ্যোতি গগৈয়ে কি কৈছে সেয়া গুৰুত্বপূৰ্ণ নহয়। দুয়োটা দল একলগ নহ'লে ৰাইজৰ দলৰ বিশেষ ক্ষতি নহয়, ক্ষতি হ'ব অসম জাতীয় পৰিষদৰ বুলি এক তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে তেওঁ। ইফালে গো-মাংসক ৰাজ্যৰ কেবিনেটে অসমত বিশেষ বিশেষ স্থানত নিষিদ্ধ ঘোষণাৰ পিছতেই ৰাজ্যজুৰি যি প্ৰতিক্ৰিয়া আছে, এই প্ৰতিক্ৰিয়াৰ মাজতে অখিল গগৈয়ে কয়, গো-মাংস বন্ধ কৰি খিলঞ্জীয়া গো-পালকসকলৰ জীৱিকাৰ ওপৰতো কুঠাৰাঘাত কৰিছে ৰাজ্য চৰকাৰে। সমান্তৰালভাৱে চৰকাৰখনে শিৱসাগৰত থলুৱা গাহৰি বন্ধ কৰি দিছে। কিন্তু ৰহস্যজনকভাৱে শিৱসাগৰ মাজেৰে বহি:ৰাজ্যৰ গাহৰি সৰবৰাহ চলি আছে। থলুৱা গাহৰি বিক্ৰী বন্ধ কৰি বহি:ৰাজ্যৰ গাহৰি আমদানি কৰা প্ৰক্ৰিয়াটো সম্পূৰ্ণৰূপে বন্ধ কৰাৰ দাবী জনাই অখিল গগৈয়ে। তেওঁ কয় যে মন্ত্ৰীয়ে কমিচন লাভৰ স্বাৰ্থতে থলুৱা গাহৰি পালকৰ মূৰত মাধমাৰ মাৰি বহি:ৰাজ্যৰ গাহৰি আমদানিত গুৰুত্ব দি এক চিণ্ডিকেটৰ সৃষ্টি কৰিছে। থলুৱা গাহৰি পালকৰ পৰা কমিচন নাপাই মন্ত্ৰীয়ে। সেয়ে বহি:ৰাজ্যৰ গাহৰি অসমৰ মাজেৰে আমদানি কৰি নতুন চিণ্ডিকেট চলাইছে। এনেদৰে আজি সংবাদমেলত কেবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে শিৱসাগৰৰ বিধায়কগৰাকীয়ে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# মহিলাৰ গাত হাত দিয়াৰ অভিযোগ, গুৱাহাটীত লাচিত সেনাৰ তিনি নেতাক গ্ৰেপ্তাৰ

**ই-সংবাদ, ১৩ ডিচেম্বৰঃ** পুনৰ বিতৰ্কত সোমাই পৰিছে বীৰ লাচিত সেনা। এইবাৰ মহিলাৰ গাত হাত দিয়াৰ অভিযোগত তিনি লাচিত সেনাৰ গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে গুৱাহাটী আৰক্ষীয়ে। নিশাৰ ৰাজপথত মহিলাৰ সৈতে গুণ্ডাগিৰি কৰাৰ অভিযোগত মতিউৰ অসম, বিক্ৰান্ত কলিতা অসম আৰু মইনা অসমক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। খোদ গুৱাহাটী মহানগৰীত লাচিত সেনাৰ নেতাৰ বিৰুদ্ধে ৰাজপথত গুণ্ডাগিৰি কৰাৰ অভিযোগ উত্থাপন হৈছে। পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি বাসৰী দাস নামৰ মহিলা আৰু দুই যুৱকক শাৰীৰিকভাৱে অপদস্থ কৰাৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে বাসৰী দাস নামৰ মহিলাই গোচৰ ৰুজু কৰাত লাচিত সেনাৰ নেতা মতিউৰ, বিক্ৰান্ত আৰু মইনাক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে। জানিব পৰা মতে, খানাপাৰাত চলি থকা ছাৰছ মেলাৰ সময়তে মেলাৰ বাহিৰত পদপথৰ দোকানত খুন্দা মাৰে এএছ-০১-এফএন-১৯৭৪ নম্বৰৰ চাৰিচকীয়া বাহনে। গাড়ীখনৰ ভিতৰত আছিল লাচিত সেনাৰ তিনি নেতা। পদপথৰ দোকানত খুন্দামাৰি দোকানীৰ মালিকনী বাসৰী দাসৰ সৈতে তৰ্কা-তৰ্কিত লিপ্ত হয় নেতাকেইজন। ইমানতে ক্ষান্ত নাথাকি দোকানৰ দুই কৰ্মচাৰী ছাজ্জন কুমাৰ আৰু অংকুৰ ডেকাক গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰে। দোকানৰ মালিকনী বাসৰী দাসকো শাৰীৰিকভাৱে অপদস্থ কৰাৰ অভিযোগ উঠে। তাৰ পিছতে হুলস্থুল লাগে। কিছু সময় পাছতে আৰক্ষী উপস্থিত হৈ লাচিত সেনাৰ তিনি নেতাক আটক কৰি থানালৈ নি পিছত গ্ৰেপ্তাৰ কৰে। সমগ্ৰ দৃশ্য দোকানৰ মালিকনীয়ে বন্দী কৰি আৰক্ষীক দিয়াত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। তিনি নেতা সেই সময়ত সুৰাসক্ত অৱস্থাত আছিল বুলিও অভিযোগ আনিছে বাসৰী দাসে। বাসৰী দাসে নিজকে বিজেপি নেত্ৰী বুলি পৰিচয় দিয়ে। লাচিত সেনাৰ তিনি নেতাৰ বিৰুদ্ধে শাৰীৰিকভাৱে অপদস্থ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰা বাসৰী দাসে তিনি নেতাৰ পৰা গোচৰ আপোচ মীমাংসাৰ বাবে ১ লাখ টকা দাবী কৰিছিল বুলি অভিযোগ উঠিছে। এই ঘটনাক লৈ যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# খচৰা ভোটাৰ তালিকা প্ৰকাশ, নাম পৰীক্ষাৰ আহ্বান

**ই-সংবাদ, ১৩ ডিচেম্বৰঃ** পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে প্ৰকাশিত খচৰা ভোটাৰ তালিকাত নিজৰ নাম আছে নে নাই সেয়া পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে ৰাজ্য চৰকাৰে। আজি ৰাজ্যৰ কেবিনেট মন্ত্ৰী ৰণোজ পেগুৱে ৰাইজক ভোটৰ তালিকাত নাম পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে। পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰকাশিত খচৰা ভোটাৰ তালিকা ermssec.assam.gov.in ৱেবছাইটত পৰীক্ষা কৰিব পাৰিব। যদি কিবা শুধৰণি বা নাম বৈ গৈছে তেন্তে জিলা নিৰ্বাচনী বিষয়াৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে চৰকাৰে। ভোটাৰসকলে ermssec.assam.gov.in ৱেবছাইটত পিডিএফ ইলেকট্ৰল ৰোল ডাউনলোড কৰিব পাৰিব। ৱেবছাইটত থকা ব্যৱস্থা অনুসৰি জিলাৰ নাম বাছনি কৰিব লাগিব। তাৰ পিছতে জিলা পৰিষদৰ নাম বাছনি কৰিবলৈ দেখুৱাব। জিলা পৰিষদৰ নাম বাছনি কৰিলে গাঁও পঞ্চায়তৰ নাম বাছনি কৰিবলৈ দুখাৱাব। তাৰ পিছতে ৱাৰ্ডৰ নাম বাছনি কৰি ভোটকেন্দ্ৰৰ নাম বাছনি কৰিলে পিডিএফ ইলেকট্ৰল ৰোল ডাউনলোড কৰিব পাৰিব। ডাউনলোড হোৱা কপিত নাম আছে নে নাই চাব পাৰিব। লগতে পঞ্চায়ত কাৰ্যালয়, জিলা পৰিষদৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, জিলা আয়ুক্তৰ কাৰ্যালয়ত ভোটাৰ তালিকা ৰখা হৈছে। উক্ত স্থানলৈ গৈয়ো ভোটৰ তালিকাত নাম পৰীক্ষা কৰিব পাৰিব। আনাহতে, ভোটাৰসকলে বাদ পৰি ৰোৱাসকলে ১ জানুৱাৰী ২০২৫ৰ পৰা নাম সন্নিৱিষ্ট কৰিবলৈ আবেদন কৰিব পাৰে।

# বামুণদংৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৬৯ সংখ্যক বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, চেঙা, ১৩ ডিচেম্বৰঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ ঐতিহাসিক বামুণদংৰাৰ ঐতিহ্যমণ্ডিত বামুণদংৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰতিবছৰে মননশীল বিষয়বস্তুক লৈ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। ১৯৫৬ চনত স্থাপিত বিদ্যালয়খনে বাৰ্ষিক অধিৱেশত সমাজসংস্কাৰ, শিক্ষাৰ প্ৰয়োজনীয়তা আদি বিষয়ক গুৰুত্বসহকাৰে আলোচনা কৰে। এইবেলি ৬৯ সংখ্যক বাৰ্ষিক অধিৱেশন তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। বিদ্যালয় প্ৰাংগণত ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষকবৃন্দৰ সহযোগত ১০, ১১ আৰু ১২ ডিচেম্বৰত অনুষ্ঠিত তিনিটা দিনত কেবাটাও কাৰ্যসূচী ৰূপায়ন কৰা হয়। ১২ ডিচেম্বৰত বিশেষ মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত কেবাগৰাকী শিক্ষাবিদ, জ্যেষ্ঠ নাগৰিক আদি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক বহুমূলীয়া পৰামৰ্শ প্ৰদান কৰে। মুকলি সভা ভংগৰ পিছতে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ মনোৰঞ্জনৰ বাবে অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান। অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক তথা কণ্ঠশিল্পী কবিন্দ্ৰ নাথ দাসে সংগীত পৰিৱেশ কৰে। বিচিত্ৰানুষ্ঠান নামৰ সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে সমাজকৰ্মী ছফি জামাল হুছেইনে। সমাজকৰ্মী ছফি জামাল হুছেইনে বিচিত্ৰানুষ্ঠান নামৰ সাংস্কৃতিক অনুষ্ঠান মুকলি কৰি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যে সাৰুৱা ভাষণ প্ৰদান কৰে। ভাষণত হুছেইনে এই বয়সে ভৱিষ্যত নিৰ্ধাৰণ কৰিবলৈ সুযোগ দিয়ে বুলি কয়। ছাত্ৰ-ছাত্ৰীসকলক পিতৃ-মাতৃক আদৰ কৰিবলৈ আৰু সমাজৰ ভালখিনি গ্ৰহণ কৰিবলৈ পৰামৰ্শ দি পূৰ্বপুৰুষে আজিৰ পৰা ৬৯ বছৰ পূৰ্বে বিদ্যালয় নিৰ্মাণ কৰি আমাৰ মাজত শিক্ষা পোহাৰ মেলি দিছিল বুলি কয়। শিক্ষাই যে সমাজ পৰিৱৰ্তন কৰিব পাৰে সেই কথা বুজি পূৰ্বপুৰুষে বিদ্যালয় নিৰ্মাণ কৰিছিল। কিন্তু আজি আমি শিক্ষাক গুৰুত্ব দিবলৈ পাহৰি গৈছো। শিক্ষাক পাহৰি যোৱাৰ পৰিৱৰ্তে শিক্ষাক আমি ঘৰে ঘৰে নিব পাৰিলেহে প্ৰতিঘৰ মানুহৰ পৰা সমস্যাসমূহ দূৰ হ'ব বুলি উল্লেখ কৰে ছফিয়ে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## মঙলদৈ গ্ৰন্থমেলাৰ ষষ্ঠ দিনৰ কাৰ্যসূচী 'সংবাদ মাধ্যম আৰু আধুনিক অসমীয়া ভাষাৰ প্ৰসাৰ' শীৰ্ষক আলোচনাচক্ৰ সম্পন্ন

**ই-সংবাদ, মঙলদৈ, ১৩ ডিচেম্বৰঃ** শ্বেইক্সপীয়েৰে চাৰি-পাঁচখন গ্ৰন্থ ৰচনা কৰিয়েই বিশ্ব বিখ্যাত হৈছিল, ইয়াৰ বিপৰীতে শ্ৰীমন্ত শংকৰদেৱে কি কৰা নাছিল! গুৰুজনাই তাহানিতে ভিন্নধৰ্মী কালজয়ী সাহিত্য সৃষ্টি কৰি বাট মুকলি কৰিছিল বাবেই আজি অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পাবলৈ সক্ষম হৈছে - এই ভাষ্য সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাৰ। আজি মঙলদৈ গ্ৰন্থমেলাৰ ষষ্ঠ দিনৰ মনোজ্ঞ কাৰ্যসূচী 'সংবাদ মাধ্যম আৰু আধুনিক অসমীয়া সাহিত্যৰ প্ৰসাৰ' শীৰ্ষক আলোচনাচক্ৰৰ বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সভাপতিগৰাকীয়ে এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে। মঙলদৈ প্ৰেছ ক্লাবৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত অনুষ্ঠিত মঙলদৈ গ্ৰন্থমেলা ২০২৪ বাকৰিত প্ৰেছ ক্লাবৰ সভাপতি, অধিবক্তা হোমেন কাকতিৰ সঞ্চালনাত অনুষ্ঠিত এই আলোচনা চক্ৰ উদ্বোধন কৰি আমাৰ অসম কাকতৰ সহকাৰী সম্পাদক মণ্টু শইকীয়াই কয় যে মানুহক অসৎ পথৰ পৰা সৎ পথলৈ অনাৰ অন্যতম বাহক হৈছে গ্ৰন্থ। গ্ৰন্থই আমাক জ্ঞানৰ পোহৰেৰে পোহৰাই তোলে। সাংবাদিকসকল আৰু শিক্ষকসকলৰ ওপৰত গধুৰ দায়িত্ব আছে। সাংবাদিকসকলে যদি ভুল বাৰ্তা দিয়ে তেন্ত সমাজত বহু বেমেজালি হয়। একেদৰে শিক্ষকসকলে ভুল কথা শিকালেও সমাজৰ সাংঘাতিক ক্ষতি হয়। সেয়ে সাংবাদিক আৰু শিক্ষকসকলে নিজৰ পৱিত্ৰ কৰ্তব্য দায়িত্বসহকাৰে পালন কৰিব লাগে। সমাজখন তেওঁলোকৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল। বৰাকৰ বিশিষ্ট সাংবাদিক অভিজিৎ ভট্টাচাৰ্যই কয় যে সাহিত্য অনুষ্ঠান, বিজ্ঞানৰ অনুষ্ঠানত শ্ৰোতা কম হ'লেও উপস্থিত থকাসকলৰ এজনে হাজাৰজনক প্ৰতিনিধিত্ব কৰে। সাহিত্য আৰু সাংবাদিকতাৰ লগত দেখাত কোনো সম্পৰ্ক নাই যেন লাগিলেও আচলতে সাংবাদিকতা আৰু সাহিত্যৰ লগত আটাইতকৈ বেছি সম্পৰ্ক আছে। সংবাদ মাধ্যমে সাহিত্যিক আৰু পাঠকৰ মাজত সেতু নিৰ্মাণ কৰে। অনুষ্ঠানত গীতাৰ ওপৰত গৱেষণা গৱেষণা কৰা অসমৰ তৃতীয়গৰাকী লেখক, সাংবাদিক হিচাপে পৰিচিত গোৱালপাৰাৰ ৰবিউল হকেও চমু ভাষণ দিয়ে। অসমীয়া প্ৰতিদিন চেনেলৰ কলাইগাঁৱৰ সাংবাদিক মোচাদ্দিক হুছেইনে ভাষণত কয় যে মঙলদৈ গ্ৰন্থমেলাই নতুন প্ৰজন্মক পুথি ক্ৰয় আৰু অধ্যয়নৰ ওপৰত এটা ইতিবাচক পৰিৱেশ গঢ়ি দিছে। প্ৰাগ নিউজৰ সাংবাদিক নৱনীতা কলিতাই সভাথলীত উপস্থিত নতুন প্ৰজন্মৰ কেইগৰাকীমান প্ৰতিনিধিৰে অন্তৰংগ আলাপ কৰাত অনুষ্ঠানৰ মাত্ৰা বৃদ্ধি পায়। তেওঁ গ্ৰন্থমেলাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ দেখি গ্ৰন্থমেলাৰ আয়োজকসকলক ধন্যবাদ জনায়। আয়োজক সমিতিৰ কাৰ্যকৰী সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকা আৰু সাধাৰণ সম্পাদক মুকুটৰাজ শৰ্মাই আঁত ধৰা আলোচনা চক্ৰখনিত সাংবাদিক অখিল কলিতা আৰু দৈনিক সোণৰ অসম কাকতৰ উপ-সম্পাদক তথা দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চহিৰ ভূঞায়ো চমু ভাষণ প্ৰদান কৰে। মঙলদৈ প্ৰেছ ক্লাবৰ উপদেষ্টা আব্দুল খালেকে সামৰণি ভাষণ আৰু শলাগ জ্ঞাপন কৰে।

## অন্তৰংগ মুহূৰ্তৰ ভিডিঅ' কৰি ব্লেকমেইলিং, লুটিলে চাৰি লাখ টকা

# কিন্নৰক বিয়াৰ প্ৰলোভন দি সৰ্বস্ব লুটি নিলে ভণ্ড প্ৰেমিক ৰূপী কবিৰাজে

**ই-সংবাদ, বিলাসীপাৰা, ১৩ ডিচেম্বৰঃ** বিয়াৰ প্ৰলোভনেৰে কিন্নৰৰ পৰা সৰ্বস্ব লুটি নিলে ভণ্ড প্ৰেমিক ৰূপী এজন কবিৰাজে। এই ঘটনা সংঘটিত হৈছে ধুবুৰী জিলাৰ বিলাসীপাৰা তুষপাৰা গাঁৱত। জানিব পৰা মতে, তিষপাৰা গাঁৱত বসবাস কৰা কিন্নৰগৰাকীয়ে দুই বছৰ পূৰ্বে দিল্লীৰ এখন চিকিৎসালয়ত অস্ত্ৰোপচাৰ কৰি পূৰ্ণ নাৰীলৈ ৰূপান্তৰিত হয়। তৃতীয় লিংগৰ পৰা স্ত্ৰীলিংগ লৈ ৰূপান্তৰিত হোৱা যুৱতীগৰাকীক ভুৱা প্ৰেমৰ জালত পেলায় বি টি আৰৰ কুটকুটাৰ ভিটা গাঁৱৰ আল আমিন নামৰ ভণ্ড কবিৰাজজনে। ঠক, প্ৰৱঞ্চনাৰে কবিৰাজি কৰা আল আমিনে প্ৰথমে যুৱতীগৰাকীক প্ৰেমৰ জালত পেলায়। তাৰ পিছতে বিয়াৰ প্ৰলোভন দি ভণ্ড প্ৰেমিকজনে যুৱতীগৰাকীৰ হাতত থকা চাৰি লাখ টকা সৰকাই নিয়ে বুলি যুৱতীগৰাকীয়ে অভিযোগ তোলে। ইফালে, বিয়াৰ প্ৰলোভন দি বিগত এবছৰে যুৱতীগৰাকীৰ লগত শাৰীৰিক সম্পৰ্ক স্থাপন কৰি অহাৰো অভিযোগ তুলিছে যুৱতীগৰাকীয়ে। যুৱতীগৰাকীৰ সৈতে অন্তৰংগ মুহূৰ্তৰ ভিডিঅ' প্ৰস্তুত কৰি বিগত এটা বছৰে ব্লেকমেইলিং কৰি আহিছে ভণ্ড প্ৰেমেকজনে। তাৰ পিছতে যুৱতীগৰাকীয়ে আল আমিনক বিয়া পাতি নিয়াৰ খাটনি ধৰাত জোলোঙাৰ মেকুৰী ওলাই পৰে। পূৰ্বে দুবাৰকৈ বিয়া পতা ভণ্ড কবিৰাজ আল আমিনে যুৱতীগৰাকীৰ পৰা দূৰত্ব স্থাপন কৰে আৰু তেওঁক হত্যা কৰাৰ ভাবুকিও প্ৰদান কৰে। ইকুল সিকুল হেৰুৱাই দৰিদ্ৰ ঘৰৰ যুৱতীগৰাকীয়ে আইনৰ সহায় বিচৰাৰ লগতে কাষ চাপিছে সংবাদ মাধ্যমৰ। যুৱতীগৰাকীৰ দাবী এটাই তেওঁৰ পৰা লোৱা ধনখিনি ওভতাই দিব লাগে। প্ৰেমৰ নামত প্ৰৱঞ্চনা কৰা ভণ্ড কবিৰাজ আল আমিনক আইনৰ আওঁতালৈ আনি কঠোৰ শাস্তি প্ৰদানৰ দাবী তুলিছে ভুক্তভোগী যুৱতীগৰাকীয়ে। এই ঘটনাই সমগ্ৰ বিলাসীপাৰা অঞ্চলটোতে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰা দেখা গৈছে।

# চেলেংহাটত বিলাসী বাহনত আহি চুৰি কৰি নিলে গোহালিৰ গৰু

**ই-সংবাদ, মৰিয়নি, ১৩ ডিচেম্বৰঃ** যোৰহাট জিলাৰ চেলেংহাটত আজি পুৱতি নিশা চেলেংহাট আৰক্ষী চকীৰ সমীপৰ পৰাই গৰু চোৰৰ দলে বিলাসী বাহনত আহি চুৰি কৰি লৈ গ'ল গোহালিৰ গৰু। জানিব পৰা মতে, চেলেং চাহ বাগিচাৰ সন্তোষ সিং নামৰ গো পালকজনৰ চোতালৰ পৰা আজি পুৱতি নিশা এখন স্কপিঅ' বাহনত অহা এটা চোৰৰ দলে এজনী গৰু চুৰ কৰি লৈ যায়। চোৰৰ দলটোৱে গৰুজনী স্কপিঅ' বাহনত উঠোৱাৰ সময়ত গো-পালকগৰাকী সাৰ পাই চিঞৰ-বাখৰ কৰে যদিও গৰুসহ চোৰৰ দলটো ধোদৰ আলিয়েদি আমগুৰিৰ দিশে তীব্ৰ বেগেৰে পলাই যাবলৈ সক্ষম হয়। মটীয়া ৰঙৰ স্কপিঅ' বাহনখনত তিনিটা চোৰে গৰুজনী উঠোৱা প্ৰত্যক্ষ কৰিছিল গো পালকগৰাকীয়ে। মনকৰিবলগীয়া যে গৰু চুৰি হোৱা ঘটনাস্থলীৰ পৰা চেলেংহাট আৰক্ষী চকীলৈ মাত্ৰ কেইশ মিটাৰ মানহে দূৰত্ব। আৰক্ষী চকীৰ সমীপতে বিলাসী বাহনত চোৰ আহি ঘৰৰ চোতালৰ পৰা নিৰ্বিঘ্নে গৰু চোৰ কৰি লৈ যোৱা ঘটনাই চাঞ্চল্য সৃষ্টি কৰাৰ লগতে গো পালকসকল চিন্তিত হৈ পৰিছে।

# বন্যহস্তীক প্ৰাণ বচাই তিতাবৰত ৰাইজে দেখুৱালে মানৱতাৰ নিদৰ্শন

**ই-সংবাদ, তিতাবৰ, ১৪ ডিচেম্বৰঃ** বন্যহস্তীৰ বিচৰণত তিতাবৰৰ একাংশ অঞ্চলৰ ৰাইজ আতংকিত হৈ থকাৰ মাজতে মৃত্যুমুখী চাৰিটাকৈ বনৰীয়া হাতী উদ্ধাৰ কৰি মানৱতাৰ পৰিচয় দাঙি ধৰিছে তিতাবৰৰ ৰাইজে। যি সময়ত বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা প্ৰাণ বচাবলৈ উজাগৰী নিশা কটাবলগীয়া হৈছিল তিতাবৰ চামগুৰি অঞ্চলৰ বহু গঞাই। তেনে সময়তে এটা বন্যহস্তীৰ বৃহৎ জাকৰ পৰা পোৱালীসহ চাৰিটাকৈ হাতী পুখুৰীত পৰি দীৰ্ঘসময় আৱদ্ধ হৈ পৰা ঘটনা সংঘটিত হৈছিল। পুখুৰীৰ বোকা-পানীত লুতুৰী-পুতুৰী হৈ উঠিব নোৱাৰি বন্যহস্তী কেইটাই ঘণ্টাৰ পিছত ঘণ্টা ককবকাই থাকিব লগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই কৰুণ দৃশ্যই সেমেকাই তুলিছিল স্থানীয় ৰাইজৰ হৃদয়। যি সময়ত হাতীৰ উপদ্ৰৱৰ বাবে স্থানীয় লোক ক্ষুব্ধ হৈ পৰিছিল, এনে জটিল সময়তো বিপদত পৰা হাতীকেইটা উদ্ধাৰৰ চেষ্টাত নামিছিল মানৱতা জীয়াই ৰাখিবলৈ সক্ষম হোৱা হৃদয়বান লোক। স্থানীয়লোকে ঘটনা সন্দৰ্ভত বন বিভাগক খবৰ দিয়ে যদিও বহু পলমকৈ বন বিভাগৰ লোক ঘটনা স্থলীত উপস্থিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। পৰিতাপৰ বিষয় যে বন বিভাগ ঘটনাস্থলীত উপস্থিত হোৱাৰ পিছতো বিপদত পৰা হাতীকেইটা পুখুৰী পৰা উদ্ধাৰৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰো অভিযোগ কৰিছে স্থানীয় লোকে। বন বিভাগে কেৱল জে চি বি আহিব বা আহি আছে বুলি কৈয়ে হাতীকেইটা পুখুৰীত ককবকাই থকা অৱস্থাতো নীৰৱ দৰ্শক হৈ থকা বুলি ৰাইজে জানিবলৈ দিছে। পাছত মৰণক শৰণ দি স্থানীয় লোকে হাতে হাতে কোৰ, চিপৰাং লৈ পুখুৰীৰ পাৰ খান্দি প্ৰায় চাৰি ঘণ্টাজোৰা অপ্ৰাণ চেষ্টাৰ ফলত হাতীকেইটাক পুখুৰীৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আনহাতে, এই বৃহৎ বনৰীয়া হাতীৰ জাকটোৰ মাজত এটা হাতী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ আছে বুলি জনা গৈছে।।

# বৰমাত এন এইচ এমৰ সাধাৰণ সভা

**ই-সংবাদ, বৰমা, ১৩ ডিচেম্বৰঃ** বাক্সা জিলাৰ বৰমা খণ্ড স্বাস্থ্য কেন্দ্ৰৰ প্ৰেক্ষাগৃহত কালি এন এইচ এমৰ সাধাৰণ সভা এখন অনুষ্ঠিত হয়। সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থা চমুকৈ এন এইচ এমৰ উদ্যোগত আৰু বাক্সা জিলা এন এইচ এম কৰ্মীবৃন্দৰ সৌজন্যত অনুষ্ঠিত হোৱা সভাত সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাৰ বিষয়ববীয়া ডাঃ উৎপল শৰ্মা, ডাঃ জয়ন্ত ডেকা, ডাঃ জেনিফাৰ আহমেদকে ধৰি কেইবাগৰাকীও বিষয়ববীয়াই এন এইচ এম কৰ্মীসকলৰ দুখ-দুৰ্দশাৰ কথা ব্যক্ত কৰে। পূৰ্বে কোভিড মহামাৰীত তেওঁলোকে নিজৰ কৰ্মৰ পৰা আঁতৰি নগৈ চিকিৎসা সেৱা আগবঢ়াই গৈছে। চিকিৎসা সেৱা কৰিবলৈ যাওঁতে কেইবাগৰাকীও এন এইচ এম কৰ্মীৰ মৃত্যু হয় বুলি উল্লেখ কৰি তেওঁলোকক নিয়মীয়াকৈ চাকৰিকে ধৰি বিভিন্ন সা-সুবিধা প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়। সভাত জিলাখনৰ এন এইচ এম কৰ্মীসকলেও তেওঁলোকৰ অভাৱ-অভিযোগসমূহ দাঙি ধৰি এই অভাৱ-অভিযোগসমূহ যদি চৰকাৰে পূৰণ নকৰে, তেন্তে তেওঁলোকে প্ৰতিবাদী কাৰ্যসূচী ল'বলৈ বাধ্য হ'ব বুলি কয়। উক্ত সভাতে বাক্সা জিলা এন এইচ এম স্বাস্থ্য আৰু কাৰিকৰী সন্থা গঠন কৰা হয়। সভাত ডাঃ উৎপল শৰ্মা, জয়ন্ত ডেকা, মজৰুল ইছলাম, ফাৰুক এলবাৰকে ধৰি ভালে কেইগৰাকী সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাৰ বিষয়ববীয়া উপস্থিত থাকে।




**ৰত্নমৌলী পেলেচত এখন ইছুজু দি-মেক্স এম্বুলেন্স উদ্বোধন মন্ত্ৰী পীযুষ হাজৰিকাৰ**

## 'মহিলাসকলক আত্মনিৰ্ভৰশীল কৰাৰ বাবে প্ৰদক্ষেপ লৈছো'

# কামৰূপত 'বিকাশৰ ১২ দিন' কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৩ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে দায়িত্ব লোৱাৰ সময়ৰে পৰা ৰাজ্যখনৰ দ্ৰুত উন্নয়নৰ বাবে কাম কৰি আহিছে। আজি কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত আয়োজিত 'বিকাশৰ ১২ দিন' কাৰ্যসূচীত এই মন্তব্য মুখ্য অতিথিৰূপে উপস্থিত থকা কামৰূপৰ অভিভাৱক মন্ত্ৰী তথা ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ। 'বিকাশৰ ১২ দিন' কাৰ্যসূচীৰ অধীনত আজি কামৰূপ জিলাত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ অধীনত তৃতীয় বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ত 'ন' ডিউজ চাৰ্টিফিকেট' বিতৰণ, প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ (পি এম এফ এম ই) আঁচনিৰ অধীনত প্ৰাৰম্ভিক মূলধন আৰু ঋণ অনুমোদন পত্ৰ বিতৰণৰ লগতে ২০২৪ বৰ্ষত দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়াললৈ ডিবিটিৰ জৰিয়তে আনুষ্ঠানিকভাৱে আৰ্থিক সাহায্য প্ৰদান কৰা হয়। মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে কয় যে ৰাজ্যখনৰ দ্ৰুত উন্নয়ন আৰু মহিলাসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বিষয়টোক সদায় প্ৰাথমিকতা প্ৰদান কৰি অহা ৰাজ্য চৰকাৰে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ গ্ৰহণ কৰা মহিলাসকলক সকাহ প্ৰদানৰ বাবে অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ অধীনত এই পৰ্যন্ত প্ৰথম, দ্বিতীয় আৰু তৃতীয় বৰ্গ মিলি মুঠ ১২,৭১,৬৭২ গৰাকী হিতাধিকাৰীক ২৩০৪.৩০



কোটি টকা ৰেহাই প্ৰদান কৰিছে। এই আঁচনিৰ অধীনত এইবাৰ ২৫,০০১ টকাৰ পৰা ৫০,০০০ টকালৈ মূলধন অনাদায় থকা ঋণীক সামৰি লোৱা হৈছে আৰু কামৰূপ জিলাৰ মুঠ ২,১৩৩ গৰাকী তৃতীয় বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ত 'ন' ডিউজ চাৰ্টিফিকেট' বিতৰণ কৰা হৈছে বুলি মন্তব্য কৰে। মাইক্ৰ'ফাইনেন্সৰ পৰা ঋণ গ্ৰহণ কৰা মহিলাসকলৰ মানসিক চাপ তথা কষ্ট উপলব্ধি কৰি চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপৰ অধীনত 'ন' ডিউজ চাৰ্টিফিকেট' লাভ কৰাৰ পিছত মহিলাসকলে আগন্তুক দিনত বিত্তীয় লেনদেন আৰু উপাৰ্জন বৃদ্ধিৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সক্ষম হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ(পি এম এফ এম ই) আঁচনিৰ অধীনত প্ৰাৰম্ভিক মূলধন লাভ কৰা খাদ্য সংসাধন ক্ষেত্ৰৰ সৈতে জড়িত মহিলাসকলেও নিজকে স্বাৱলম্বী কৰি তুলিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। একেদৰে ৰাজ্যখনত বান, ধুমুহাৰ দৰে প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ কষ্ট, অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ডিবিটিযোগে আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও তেওঁ মন্তব্য কৰে।

# নগাঁৱৰ বৰবাৰীত অবৈধ সুৰাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

ই-সংবাদ, পুৰণিগুদাম, ১৩ ডিচেম্বঃ নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ বৰবাৰীত যোৱা নিশা অবৈধ সুৰাৰ বিৰুদ্ধে আৰক্ষীয়ে এক অভিযান চলায়। পুৰণিগুদাম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰঞ্জনমণি মচৰঙৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে বৰবাৰীৰ জীৱন কলিতাৰ গেলামালৰ দোকানত অভিযান চলায় বুজন পৰিমাণৰ অবৈধ সুৰা জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, আৰক্ষীয়ে অবৈধভাৱে মজুত কৰি ৰখা সুৰাখিনি জব্দ কৰে যদিও অভিযানৰ উমান পাই জীৱন কলিতাই পলায়ন কৰে। পুৰণিগুদাম আৰক্ষীয়ে জব্দ কৰা অবৈধ সুৰাখিনি পাছত আৰকাৰী বিভাগক চমজাই দিয়ে।

# মৰিগাঁৱত স্থানীয় লোকে খাবলৈ নাপায় থলুৱা মাছ

**ই-সংবাদ, মৰিগাঁও, ১৩ ডিচেম্বৰঃ** থলুৱা মাছৰ বাবে ৰাজ্যখনত জনাজাত মৰিগাঁও জিলাত বহুসময়ত স্থানীয় ৰাইজে থলুৱা মাছ ক্ৰয় কৰিব নোৱাৰি চালানী মাছৰ ওপৰতে নিৰ্ভৰ কৰিবলৈ বাধ্য হৈছে। প্ৰধানকৈ এচাম ধনৱান ব্যৱসায়ীয়ে জিলাখনত থলুৱাভাৱে উৎপাদিত মাছসমূহ ধনৰ বলত ক্ৰয় কৰি অধিক দৰত অবাধ হাৰত বহিঃৰাজ্যলৈ প্ৰেৰণ কৰি থকাৰ বাবেই এনে পৰিৱেশৰ সৃষ্টি হৈছে। উল্লেখ্য যে, বহু সংখ্যক খাল-বিল আদি থকা জিলাখনত প্ৰাকৃতিকভাৱেই বৃহৎ পৰিমাণৰ মাছ উৎপাদন হয়। ইয়াৰ উপৰি জিলাখনত বহু সংখ্যক লোকে ব্যাণিজ্যিকভাৱে পুখুৰী খান্দি মৎস উৎপাদন কৰিবলৈ লোৱাত জিলাখন ইতিমধ্যে এক প্ৰকাৰে মৎস উৎপাদনৰ হাবলৈ পৰিণত হৈছে।কিন্তু এনেদৰে উৎপাদন হোৱাৰ পিছতো জিলাখনৰ স্থানীয় ৰাইজে কেৱল একাংশ লাভখোৰ ব্যৱসায়ীৰ বাবেই উদৰ পূৰাই খাবলৈ নাপায় থলুৱা মাছ। লাভ কৰা তথ্য মতে, জিলাখনৰ বিভিন্ন স্থানত থকা মাছ নিলাম কৰা কাটাসমূহৰ পৰা ধনৰ বলত বৃহৎ সংখ্যক মাছ ক্ৰয় কৰি অবাধ হাৰত অধিক দৰত বহিঃৰাজ্যলৈ মাছ প্ৰেৰণ কৰি আহিছে। এইক্ষেত্ৰত কেইজনমান অনা-অসমীয়া অসাধু ব্যৱসায়ীয়ে লৈছে মুখ্য ভূমিকা। ইয়াৰে একাংশই আনকি একাংশ দৰিদ্ৰ মৎস পালকৰ আৰ্থিক দুৰ্বলতাৰ সুযোগ লৈ মাছৰ পোনা মেলা সময়তেই যথসামান্য ধন দি পৰৱৰ্তী সময়ত উৎপাদিত মাছসমূহ তেওঁকেই বিক্ৰী কৰিবলৈ একপ্ৰকাৰে দৰিদ্ৰ মৎস পালকক বাধ্য কৰে। এনেদৰে বিভিন্ন কূট-কৌশললৈৰে সংগ্ৰহ কৰা মাছসমূহৰ সিংসভাগেই আকৌ অধাক লাভৰ আশাত বহিঃৰাজ্যলৈ প্ৰেৰণ কৰে এইসকল ব্যৱসায়ীয়ে। এনেদৰে নিতৌ গৰিষ্ঠ সংখ্যক থলুৱা মাছ বাহিৰলৈ গৈ থকাৰ বাবে স্থানীয় মাছৰ বজাৰত চাহিদাৰ তুলনাত যোগান অত্যধিক কম হৈ পৰাৰ বাবে স্থানীয় বজাৰসমূহতো স্বাভাৱিকতে থলুৱা মাছৰ মূল্য আকাশলংঘী হৈ পৰে। ইয়াৰ ফলত বহু সংখ্যক লোকে কেৱল ছালানী মাছৰ ওপৰতে নিৰ্ভৰ কৰিব লগীয়া হয়। জিলাখনৰ পৰা এনেদৰে অবাধ হাৰত হৈছে মাছৰ বৰ্হিগমন।

## তিনিচুকীয়া জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

**ই-সংবাদ, ডুমডুমা, ১৩ ডিচেম্বৰঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তিনিচুকীয়া জিলাৰ পঞ্চায়ত সমষ্টিসমূহৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। সেই অনুসৰি ২২ টা জিলা পৰিষদ সমষ্টিৰ অধীনৰ ৭ টা আঞ্চলিক পঞ্চায়ত আৰু ৮৬ খন গাঁও পঞ্চায়ত সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ৮,২৮,৩২৫ জন। ইয়াৰে ৪,০৬,৭৮৭ জন পুৰুষ আৰু ৪,২১,৫০৭ গৰাকী মহিলা। কোনো লোকে ভোটাৰ তালিকাৰ সম্পৰ্কত কিবা দাবী বা আপত্তি দাখিল কৰিব বিচাৰিলে কাইলৈ অৰ্থাৎ ১৪ ডিচেম্বৰৰ পৰা ২১ ডিচেম্বৰৰ ভিতৰত সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া বা জিলা আয়ুক্তৰ কাৰ্যালয়ত অথবা অনলাইন যোগে দাখিল কৰিব পাৰিব বুলি জিলা আয়ুক্ত স্বপ্নীল পালে জনাইছে। প্ৰকাশিত খচৰা তালিকা গাঁও পঞ্চায়তৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, জিলা পৰিষদ আৰু জিলা আয়ুক্তৰ কাৰ্যালয়ত বা জিলা প্ৰশাসনৰ ৱেবছাইট (https://tinsukia.assam.gov.in) ত চাব পাৰিব। উল্লেখ্য যে, এইবাৰ নিৰ্বাচন ৯৫৮ টা কেন্দ্ৰত অনুষ্ঠিত হ'ব। গাঁও পঞ্চায়তৰ ৱাৰ্ডৰ সংখ্যা হৈছে ৮৬০ টা।

## চাবুৱাত নৱনিযুক্ত শ্ৰমমন্ত্ৰী ৰূপেশ গোৱালাক উষ্ম আদৰণি

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৩ ডিচেম্বৰঃ** অসম চৰকাৰৰ কেবিনেটত নতুনকৈ মন্ত্ৰিত্ব লাভ কৰাৰ পিছতে আজি ডিব্ৰুগড়ত উপস্থিত হৈছে মন্ত্ৰী ৰূপেশ গোৱালা। নৱনিযুক্ত মন্ত্ৰীগৰাকীক আজি চাবুৱাৰ নাদুৱা চাইডিং বাইপাছত উষ্ম আদৰণি জনায় বিজেপি চাবুৱা মণ্ডল সমিতিৰ বিষয়ববীয়াসকলে। ডিব্ৰুগড় বিমান বন্দৰত অৱতৰণ কৰাৰ পাছতে নিজ সমষ্টি ডুমডুমালৈ গৈ থকা এই সময়ছোৱাত চাবুৱা-লাহোৱাল সমষ্টিৰ বিজেপি চাবুৱা মণ্ডল সমিতিৰ কাৰ্যকৰ্তাই গামোচা পিন্ধাই উষ্ম আদৰণি জনায় মন্ত্ৰীগৰাকীক। মুখ্যমন্ত্ৰীয়ে দিয়া বিভাগৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিম বুলি অৱগত কৰে। হাতত যিহেতু সময় অতি কম, গতিকে বিভাগৰ কাম যথাসাধ্য কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিম বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালাই।



পুৰণিগুদামত গেলামালৰ দোকানৰ পৰা উদ্ধাৰ অবৈধ সুৰা, ফটোঃ ই-সংবাদ, পুৰণিগুদাম

## ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ জ্ঞানজ্যোতি নাথৰ

# ছিপাঝাৰত সদৌ অসম ভিত্তিত ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**ই-সংবাদ, ছিপাঝাৰ, ১৩ ডিচেম্বৰঃ** ছিপাঝাৰত সদৌ অসম ভিত্তিত আয়োজন কৰা ৰচনা প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰা হয়। দৰং জিলাৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপন উপলক্ষে শিক্ষা আৰু সাহিত্য বিভাগৰ উদ্যোগত 'সাম্প্ৰতিক সময়ৰ শিক্ষা ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত' শীৰ্ষক সদৌ অসম ভিত্তিত আয়োজিত ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছে জ্ঞানজ্যোতি নাথ, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ(বিজ্ঞান শাখা), দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা। দ্বিতীয় স্থান অধিকাৰ কৰিছে পৰিণীতা দেৱী, খ'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, দ্বাদশ শ্ৰেণী, বিহপুৰীয়া, লখিমপুৰ আৰু তৃতীয় স্থান অধিকাৰ কৰিছে হিমাক্ষী ডেকা, নৱম শ্ৰেণী, নেহৰু স্মৃতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, হাজৰিকাপাৰা। আনহাতে, নিশিতা কলিতা, দ্বাদশ শ্ৰেণী, গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, হাজৰিকাপাৰা আৰু সুপ্ৰতীম শইকীয়া, একাদশ শ্ৰেণী(বিজ্ঞান শাখা), চামগুৰি সত্ৰ ৰাৰণপাৰা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়, মাজুলী-এ উদগনি বঁটা লাভ কৰে। উল্লেখ্য যে, স্থান প্ৰাপ্ত তিনিওগৰাকী প্ৰতিযোগীক ক্ৰমে ৪০০০, ৩০০০ আৰু ২০০০ টকাৰ লগতে মানপত্ৰ, গামোচা, কিতাপৰ টোপোলা আৰু একোটাকৈ স্মাৰক প্ৰদান কৰা হ'ব। অহা ২৭, ২৮, ২৯ আৰু ৩০ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানৰ সভাত পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব বুলি শিক্ষা আৰু সাহিত্য বিভাগৰ সভাপতি গোপাল হাজৰিকা আৰু সম্পাদক চন্দ্ৰ হাজৰিকাই সদৰি কৰিছে।

## বটদ্ৰৱাত বিল দখলক কেন্দ্ৰ কৰি ৰাইজৰ প্ৰতিবাদ

**ই-সংবাদ, বেবেজীয়া, ১৩ ডিচেম্বৰঃ** নগাঁও জিলাৰ বটদ্ৰৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত কোবাইকটা ৰাজহুৱা বিলত একাংশ সুবিধাবাদী লোকে অনিয়ম তথা জোৰ জবৰদস্তিৰে কব্জা কৰাৰ অভিযোগত স্থানীয় ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। আচলতে, কোবাইকটা ৰাজহুৱা বিলৰ পাৰৰ ধনীয়াভেটি গাঁৱৰ কেইবা শতাধিক পৰিয়ালৰ একমাত্ৰ উপাৰ্জনৰ উৎস এই বিলখন। গাঁওখনৰ এই দৰিদ্ৰ পৰিয়ালসমূহে বিলখনৰ পৰা মৎস্য ব্যৱসায় কৰি দুবেলা দুমুঠি অন্ন যোগাৰ কৰি আহিছিল। কিন্তু বিগত কিছুদিন ধৰি বিলখন পৰিস্কাৰ কৰাৰ নামত চল্লিশ লক্ষাধিক টকা চৰকাৰী আবণ্টন লৈ একাংশ সুবিধাবাদী লোকে বিলখনত বেদখল চলোৱাৰ গুৰুত্বৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। আনকি, পূৰ্বৰে পৰা মাছ মাৰি জীৱন নিৰ্বাহ কৰি অহা লোকসকলে বিলত মাছ মাৰিবলৈ গ'লে মাৰধৰ কৰি অপদস্থ কৰাৰো অভিযোগ উঠিছে। ইফালে, বটদ্ৰৱা খণ্ড উন্নয়ন বিষয়াৰ ছত্ৰ ছায়াত এমজি এনৰেগা আঁচনিৰ অধীনত এই দুষ্টচক্ৰই নামমাত্ৰ কাম কৰি চল্লিশ লাখ টকা চৰকাৰী ধন আত্মসাৎ কৰাৰ অভিযোগ তুলি ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী ৰাইজে বিষয়টোৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰিছে। তদুপৰি এই সন্দৰ্ভত ৰাইজে ৰাজ্যৰ মীন মন্ত্ৰী, নগাঁও জিলা আয়ুক্ত আৰু নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়ালৈ পৃথকে পৃথকে অভিযোগ পত্ৰ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে।

# মাণিকপুৰ ৰাঃ পশু চিকিৎসালয়, অৱশেষত অন্ত পৰিল ভুল বুজাবুজিৰ

**ই-সংবাদ, সৃজনগ্ৰাম, ১৩ ডিচেম্বৰঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মাণিকপুৰ ৰাজ্যিক পশু চিকিৎসালয়ত কৰ্মচাৰীৰ উপস্থিতি সন্দৰ্ভত এক অভিযোগ উত্থাপন হৈছিল। আগতীয়াকৈ ৰেজিষ্টাৰ বহীত চহী কৰাত ষ্টাফৰ মাজত এক ভুল বুজাবুজিৰ সৃষ্টি হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি, পশু চিকিৎসালয়ৰ কৰ্মচাৰীসকলৰ মাজত হোৱা মতানৈক্যৰ অন্ত পেলাবলৈ সচেতন ব্যক্তিৰ উপস্থিতত আলোচনাৰ মাধ্যমেৰে কৰ্মচাৰীসকলৰ মাজত থকা ভুল বুজাবুজি আঁতৰ কৰে।

# নগাঁৱত সক্ৰিয় ভুৱা আধাৰ কাৰ্ড প্ৰস্তুত কৰা চক্ৰ, আৰক্ষীৰ জালত পাঁচ ব্যক্তি

**ই-সংবাদ, বেবেজীয়া, ১৩ ডিচেম্বৰঃ** নগাঁও জিলাৰ জুৰীয়াৰ চিতলমাৰী বিলত শুকুৰবাৰে আৰক্ষীয়ে অভিযান চলাই ছেলিমউদ্দিন নামৰ এজন কম্পিউটাৰ প্ৰতিষ্ঠানৰ গৰাকীক আটক কৰাৰ লগতে বাহাৰুল ইছলাম নামৰ আন এজন লোককো আটক কৰে। ধৃত লোকদুজনৰ পৰা আৰক্ষীয়ে বিভিন্ন ইলেকট্ৰনিক সামগ্ৰীৰ লগতে কেতবোৰ নথি-পত্ৰ জব্দ কৰিবলৈ সক্ষম হয়। আটক কৰা লোক দুজন অবৈধভাৱে আধাৰ কাৰ্ড প্ৰস্তুত কৰা কাৰ্যত জড়িত থকাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। তদুপৰি ভুৱা আধাৰ কাৰ্ড প্ৰস্তুত কৰা কাৰ্যত জড়িত থকাৰ অভিযোগত বিহাৰৰ জ্ঞান প্ৰকাশ নামৰ এজন লোকৰ লগতে উত্তৰ প্ৰদেশৰ আদিত্য কুছৱাহা আৰু অৱনীশ কুমাৰকো নগাঁও আৰক্ষীয়ে আটক কৰিছে। আচলতে, বহিঃৰাজ্যৰ এই লোক কেইজনৰ সৈতে মিলি জুৰীয়াৰ লোককেইজনে অবৈধভাৱে ভুৱা আধাৰ কাৰ্ড প্ৰস্তুত কৰি থকাৰ অভিযোগ উঠিছে। আনকি আৰক্ষীয়ে তেওঁলোক চাইবাৰ অপৰাধত জড়িত থকাটো ইতিমধ্যে নিশ্চিত কৰিছে। সম্প্ৰতি অধিক তথ্য আহৰণৰ বাবে আৰক্ষীয়ে ধৃত লোককেইজনক মাৰাথন জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# পূব কামৰূপ দাৰুল উলুমত শিক্ষক প্ৰশিক্ষণ আৰু সজাগতা অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৩ ডিচেম্বৰঃ** ক্ষুদ্ৰপলহা-গোগ-ভোমোলাহাটী আঞ্চলিক দ্বিনী তা'লীমি ব'ৰ্ডৰ সৌজন্যত মঙলদৈ জিলা দ্বিনী ব'ৰ্ডৰ উদ্যোগত শিক্ষক প্ৰশিক্ষণ আৰু মক্তৱ শিক্ষা সন্দৰ্ভত এক সজাগতা অনুষ্ঠান পূব কামৰূপ দাৰুল উলুম, ভোমোলাহাটী মাদ্ৰাছাত কালি অনুষ্ঠিত হৈ যায়। পূব কামৰূপ দাৰুল উলুম, ভোমোলাহাটী মাদ্ৰাছাৰ মুহতমিম হাফিজ কাৰী মৌলানা ৰমজান আলী, পূব কামৰূপ দাৰুল উলুম মাদ্ৰাছাৰ সম্পাদক আব্দুল মোন্নাফ আৰু ক্ষুদ্ৰপলহা-গোগ-ভোমোলাহাটী আঞ্চলিক দ্বিনী তা'লিমি ব'ৰ্ডৰ সভাপতি চৈয়দ আৰিফ হুছেইনৰ তৎপৰতাত অনুষ্ঠিত এই শিক্ষক প্ৰশিক্ষণ আৰু সজাগতা অনুষ্ঠানত সৰ্বভাৰতীয় দ্বিনী তা'লিমী ব'ৰ্ডৰ সম্পাদক মৌলানা মহম্মদ খালিদে সমল ব্যক্তি হিচাপে উপস্থিত থাকি শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে মক্তৱ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু প্ৰসাৰ সন্দৰ্ভত তত্বগধুৰ বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত কামৰূপ আৰু দৰং জিলাৰ শতাধিক মক্তৱ শিক্ষক আৰু মছজিদৰ ইমামে অংশগ্ৰহণ কৰে। বিয়লি অনুষ্ঠানৰ সফলভাৱে সামৰণি পৰে।

# ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় কুষ্ঠৰোগ নিবাৰণী আঁচনিৰ শুভাৰম্ভ

ই-সংবাদ, ডিব্ৰুগড়, ১৩ ডিচেম্বৰঃ অসমৰ সকলো জিলাৰ লগতে ডিব্ৰুগড় জিলাতো ৰাষ্ট্ৰীয় কুষ্ঠৰোগ নিবাৰণী আঁচনিৰ শুভাৰম্ভ কৰা হয় ১২ ডিচেম্বৰৰ পৰা। ৰাজ্যৰ ভিতৰতে সৰ্বাধিক কুষ্ঠৰোগী থকা ডিব্ৰুগড় জিলাৰ প্ৰতিটো ঘৰ, প্ৰতিটো পৰিয়ালৰ ওচৰত আশা কৰ্মীয়ে গৈ কুষ্ঠৰোগ চিনাক্তকৰণ অভিযানৰ শুভাৰম্ভ কৰে। এই উদ্দেশ্যে ডিব্ৰুগড়ৰ ৰাজ্যিক চিকিৎসালয়ত এই আঁচনি শুভ উদ্বোধন কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ৰাজীৱ বৰুৱা, ডাঃ ৰাণী চুতীয়া হুছেইনৰ লগতে বহু সংখ্যক স্বাস্থ্যকৰ্মী আৰু আশা কৰ্মী। উল্লেখ্য যে ডিব্ৰুগড় জিলাত বৰ্তমান ১৩৩ গৰাকী কুষ্ঠৰোগীৰ চিকিৎসা চলি থকাৰ বিপৰীতে চলিত বৰ্ষত ৮৮ গৰাকী কুষ্ঠৰোগী নতুনকৈ ধৰা পৰিছে। এই আঁচনিৰ জৰিয়তে কুষ্ঠৰোগ চিনাক্তকৰণৰ লগতে যক্ষ্মা ৰোগো চিনাক্তকৰণ কৰা হ'ব। ৰোগসমূহ নিৰ্মূলকৰণ কৰাত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰা হৈছে বুলি ডিব্ৰুগড়ৰ স্বাস্থ্য বিভাগে জানিবলৈ দিছে।



মৰিগাঁৱত ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটা প্ৰদানৰ মুহূৰ্তত মন্ত্ৰী পীযুষ হাজৰিকা, শুকুৰবাৰে

# জলজলী প্ৰেছ ক্লাবৰ শপত গ্ৰহণ অনুষ্ঠান

**ই-সংবাদ, শিমলীতোলা, ১৩ ডিচেম্বৰঃ** বাঘমাৰা চৰ বজাৰ কমিটীৰ কাৰ্যালয় প্ৰাংগণত আজি জলজলী প্ৰেছ ক্লাবৰ নৱগঠিত কমিটীৰ শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। নৱগঠিত প্ৰেছ ক্লাবৰ সভাপতি মোঃ ইনামুল হকৰ পৌৰোহিত্যত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গোৱালপাৰা প্ৰেছ ক্লাবৰ সভাপতি আব্দুৰ ৰৌফ। লগতে উপস্থিত থাকে গোৱালপাৰাৰ টাইম-৮ ৰ সাংবাদিক মনজুৰ ইছলাম ভূঞা, অৱসৰপ্ৰাপ্ত শিক্ষক তৈয়ব আলী শ্বেখ, জাফৰ আলী আহমেদ, জাফৰ আলী খান, বাঘমাৰা চৰ ছেনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ প্ৰবক্তা জমশ্বেৰ আলী আহমেদ, জাকিৰ হুছেইন, শিক্ষক, আৰফাৰূন আলী আহমেদ, আলহাজ আব্দুছ ছামাদ, বাঘমাৰা চৰ বজাৰ কমিটীৰ সভাপতি শুকুৰ আলীৰ লগতে জিন্না ৰেজ্জাকুল আলম, আব্বাছ আলী, মিজানুৰ ৰহমান, ৰফিকুল ইছলামকে ধৰি সমাজৰ গণ্যমান্য ব্যক্তিসকল। নৱগঠিত প্ৰেছ ক্লাবৰ সভাপতি মোঃ ইনামুল হক, উপ-সভাপতি নুৰজামাল হুছাইন, সম্পাদক আব্দুৰ ৰহিম, আলোচনী সম্পাদক সাহিনুৰ ৰহমান, কাৰ্যালয় সম্পাদক সাবান আলীকে ধৰি সকলো সদস্যক শপত বাক্য পাঠ কৰোৱায় গোৱালপাৰা প্ৰেছ ক্লাবৰ সভাপতি আব্দুৰ ৰৌফে। মুখ্য অতিথি হিচাপে উপস্থিত থাকি আব্দুৰ ৰৌফে প্ৰেছ ক্লাবৰ প্ৰতিজন সদস্যক সদায় সত্য পথত থাকি বৃহৎ অঞ্চলৰ জ্বলন্ত সমস্যাবোৰ চৰকাৰ তথা প্ৰশাসনৰ দৃষ্টিগোচৰ কৰাকৈ উত্থাপন কৰিবলৈ আহ্বান জনায়।

# ৰঙিয়াত হেৰ'ইনসহ আটক এজন সৰবৰাহকাৰী

**ই-সংবাদ, ৰঙিয়া, ১৩ ডিচেম্বৰঃ** ৰঙিয়াত আজি আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ হেৰ'ইনসহ আটক হয় জাকিৰ আলী নামৰ এজন সৰবৰাহকাৰী। গোপন সূত্ৰৰ পম খেদি ৰঙিয়া আৰক্ষীৰ দলটোৱে চলোৱা অভিযানত সৰবৰাহকাৰী জাকিৰ আলীৰ জিম্মাৰ পৰা চাৰিটাকৈ কাঁচৰ সৰু বটলত সন্দেহজনক হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীজনক আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# গড়মূৰ আৰক্ষী থানাত ফৰেনছিক বিশেষজ্ঞৰ দল

**ই-সংবাদ, মাজুলী, ১৩ ডিচেম্বৰঃ** মাজুলীত গড়মূৰ আৰক্ষী থানাত মঙলবাৰৰ নিশা কোনো দুৰ্বৃত্তই আৰক্ষী থানাৰ চৌহদত থকা দুখনকৈ আৰক্ষীয়ে ব্যৱহাৰ কৰা বাহন জ্বলাই দিছিল। যাক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছিল মাজুলীত। আজি এই ঘটনাৰ তথ্য সংগ্ৰহৰ বাবে গুৱাহাটীৰ পৰা মাজুলীত উপস্থিত হয় ফৰেনছিকৰ বিশেষজ্ঞৰ দল। দলটোৱে গড়মূৰ আৰক্ষী থানাৰ চৌহদত জ্বলি যোৱা দুইখন গাড়ী তথা ঘটনা স্থলীৰ পৰা নমুনা সংগ্ৰহ কৰিছে। পুংখানুপুংখভাৱে ঘটনাস্থলীৰ তথ্য সংগ্ৰহ কৰি সাংবাদিকৰ আগত দলটোৱে কয় যে যিখিনি বস্তু সন্দেহজনক আছে- এই তথ্য আৰু নমুনাসমূহ সংগ্ৰহ কৰা হৈছে। এই নমুনাসমূহ পৰীক্ষাগাৰলৈ পঠাই দিয়া হ'ব। খুব কম সময়ৰ ভিতৰতে এক সপ্তাহ, দহ দিনৰ ভিতৰত তথ্য দিব পৰা যাব বুলি উল্লেখ কৰে। উল্লেখ্য যে মাজুলীত আৰক্ষীৰ থানাৰ চৌহদতেই গাড়ীত অগ্নি সংযোগ কৰি দুৰ্বৃত্ত উধাও হোৱাৰ পাছতো কোনো শুংসূত্ৰ নেপালে আৰক্ষীয়ে। মাজুলীৰ আয়ুক্ত কাৰ্যালয় আৰু আয়ুক্ত আবাস, আৰক্ষী অধীক্ষকৰ আবাসৰ পৰা প্ৰায় এশ মিটাৰ নিলগত মাজুলীৰ সদৰ গড়মূৰ আৰক্ষী থানাত দুখন গাড়ী দুৰ্বৃত্তই অগ্নি সংযোগ কৰি জ্বলাই দিয়াৰ পাছতো গড়মূৰ আৰক্ষীয়ে কোনো গমেই নেপোৱা বিষয়টোৱে সমগ্ৰ অসম জোকাৰি গৈছিল। পথচাৰীয়ে খবৰ নিদিয়াহেঁতেন, আৰক্ষী থানা জ্বলি শেষ হৈ যোৱাৰ দৰে ভয়ংকৰ ঘটনা সংঘটিত হ'লহেঁতেন। সদৰ থানাতেই আৰক্ষীৰ পহৰাৰ ব্যৱস্থা নথকা, মাজুলীত আৰক্ষীৰ টহলৰ ব্যৱস্থা নাথকাটোৱে আৰক্ষীৰ দুৰ্বলতাকে প্ৰমাণ কৰিছে বুলি সচেতন মহলে আক্ষেপ প্ৰকাশ কৰিছে।

# তিনিগৰাকী শিক্ষকেৰে চলিছে ধুবুৰীৰ এখন স্কুল

**ই-সংবাদ, তামাৰহাট, ১৩ ডিচেম্বৰঃ** কেনেদৰে চলিছে ৰাজ্যৰ একাংশ শিক্ষা প্ৰতিষ্ঠান? কিদৰে পাঠদান চলিছে একাংশ বিদ্যালয়ত-এই লৈ ভ্ৰূক্ষেপ নাই শিক্ষা বিভাগৰ। শিক্ষাৰ্থীক লৈ হেতালি খেলিছে ৰাজ্যৰ শিক্ষা বিভাগে।- এই অভিযোগ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ। ১০২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ তিনিগৰাকী শিক্ষকে চলাই গৈছে পাঠদান। শিক্ষক বিচাৰি হাতযোৰ কৰি মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক কাতৰ অনুৰোধ জনাইছে শিক্ষকে। প্ৰধান শিক্ষককে ধৰি তিনিজন শিক্ষকেৰে চলিছে এখন এম ই স্কুল। অন্ধকাৰৰ দিশত শতাধিক কণকণ ছাত্ৰ-ছাত্ৰী। ধুবুৰী জিলাৰ আগমনি শিক্ষাখণ্ডৰ অন্তৰ্গত পুৰ্ণি এম ই স্কুলত দুজন শিক্ষকে চলাই গৈছে পাঠদান। উল্লেখ্য যে, ১৯৮২ চনত পুৰ্ণি গাঁৱত স্থাপিত হোৱা একমাত্ৰ শিক্ষানুষ্ঠানেই হৈছে পুৰ্ণি এম ই স্কুল। স্কুলখনত বৰ্তমান অধ্যয়নৰত ১০২ গৰাকী শিক্ষাৰ্থী। এজন শিক্ষকে ৫-৬ টাকৈ ক্লাচ চম্ভালিবলগীয়া হৈছে। আনহাতে, বিদ্যালয়খনত ১২০ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে তিনিজন শিক্ষকে পাঠদান কৰিবলগীয়া হোৱাত শিক্ষাৰ্থী আৰু অভিভাৱকসকল একপ্ৰকাৰ চিন্তিত হৈ পৰিছে। বিদ্যালয়খনত পৰ্যাপ্ত পৰিমাণৰ শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ অভিভাৱক আৰু শিক্ষকসকলে চৰকাৰৰ ওচৰত দাবী জনাইছে।

# বিধায়ক পোনাকণ বৰুৱাৰ কাম-কাজত আকৃষ্ট, হাতীত উঠিল ডিকমৰ ব্যৱসায়ী আৰু ব্যৱসায়ীৰ পুত্ৰ



**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৩ ডিচেম্বৰঃ** অসম গণ পৰিষদে প্ৰতিষ্ঠাকালৰ আদৰ্শৰ পৰা ফালৰি কাটি হিন্দুত্ববাদী ৰাজনীতিত জীন যোৱা বুলি উত্থাপিত অভিযোগক মিছা বুলি প্ৰমাণিত কৰিলে অগপৰ জ্যেষ্ঠ নেতা তথা চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাই। কট্টৰ হিন্দুত্ববাদী দল বিজেপিৰ সহযোগী হৈ ৰাজ্য চৰকাৰৰ অংশীদাৰ হৈ থকা অসম গণ পৰিষদ প্ৰতিষ্ঠাকালৰ পৰাই জাতীয়তাবাদী, আঞ্চলিকতাবাদী আদৰ্শৰ পৰা তিলমানো আতৰি অহা নাই বুলি দাবী কৰি আহিছে। লগতে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে অগপত সকলোৰে বাবে দুৱাৰ খোলা আছে বুলি কৰা দাবীক উজনি অসমত প্ৰমাণ কৰিলে চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাই। ধৰ্ম বিশেষক টাৰ্গেট কৰি লৈ অসমত ৰাজনীতি চলি থকাৰ পঞ্চায়তৰ প্ৰতিষ্ঠিত ব্যৱসায়ী, সমাজকৰ্মী নু আলম খান আৰু যুৱ ব্যৱসায়ী আছলাম খানক অসম গণ পৰিষদত যোগদান কৰাই পোনাকণ বৰুৱাই। অগপৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই পিতা-পুত্ৰ নু আলম খান আৰু যুৱ ব্যৱসায়ী আছলাম খানক ডিকমস্থিত বাসগৃহত ফুলাম গামোছা পিন্ধাই দললৈ আদৰণি জনায়। নু আলম খান আৰু আছলাম খানে সমাজৰ হকে কাম কৰি আহিছে। অসহায়, দৰিদ্ৰ লোকৰ বাবেও কাম কৰে। কিন্তু ব্যৱসায়ী পৰিয়ালটোৱে সকলো ৰাজনীতিকৰ সৈতে সম্পৰ্ক বজাই ৰাখে যদিও দলীয় ৰাজনীতিৰ পৰা সদায়েই আতৰি আছিল। কিন্তু হঠাতে দুই ব্যৱসায়ীয়ে ৰাজনীতিত ভৰি থোৱাৰ মন মেলি কংগ্ৰেছ বা অন্য দললৈ নগৈ অসম গণ পৰিষদত যোগদান কৰিছে। কাৰণ হিচাপে দুই ব্যৱসায়ীয়ে চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাৰ কাম-কাজ, নম্ৰতা, ভদ্ৰতা বুলি কয়। বিধায়ক বৰুৱাই সমাজত ভাতৃত্ববোধৰ এনাজাৰীডাল কটকটীয়া কৰিবলৈ কাম কৰি গৈছে। আনহাতে, স্বাধীনতাৰ পিছত চাবুৱা সমষ্টিত যি কাম হৈছে সেইখিনি দুৰ্নীতি অবিহনে আৰু সুচাৰুৰূপে হোৱা বুলি কৈ বিধায়ক বৰুৱাৰ কামৰ প্ৰতি আকৃষ্ট হৈ দলটোত যোগদান কৰা বুলি কয় নু আলম খান আৰু আছলাম খানে। যোগদান কাৰ্যসূচীত অগপৰ চাবুৱা-লাহোৱাল সমষ্টিৰ সভাপতি কৃষ্ণানন্দ দুৱৰা, সম্পাদক বিনোদ বুঢ়াগোহাঁই, মহিলা পৰিষদৰ নেত্ৰী অঞ্জলী গগৈ, প্ৰভাত চাহু আদি উপস্থিত থাকে।মাজুলীবাসীয়ে যাতায়াতৰ ক্ষেত্ৰত আৰু কিমান যন্ত্ৰণা ভুগিব লাগিব- এই লৈও প্ৰশ্নৰ সৃষ্টি হৈছে।

## তিনিচুকীয়াত আজি ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুটাৰ আৰু চাইকেল বিতৰণ

**ই-সংবাদ, ডুমডুমা, ১৩ ডিচেম্বৰঃ** অহা ১৪ ডিচেম্বৰৰ পুৱা ১০ বজাত তিনিচুকীয়াৰ বৰগুৰিস্থিত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান খেলপথাৰত প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত মেধাবী ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুটাৰ বিতৰণৰ লগতে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ মাজত আনুষ্ঠানিকভাৱে চাইকেল বিতৰণ কৰা হ'ব। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ( কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) বিভাগৰ নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালা। অনুষ্ঠানত তিনিচুকীয়া জিলাৰ ১,৭৪২ গৰাকী ছাত্ৰ-ছাত্ৰীক স্কুটাৰ বিতৰণ কৰাৰ লগতে ১০,১৫৮ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল বিতৰণ কৰা হ'ব বুলি জানিব পৰা গৈছে।



ডুমডুমাত মন্ত্ৰী ৰূপেশ গোৱালাক আদৰণি, শুকুৰবাৰে

## শতদল পলাশবাৰী সাহিত্য সভাৰ মিৰ্জাত দুদিনীয়াকৈ ৬৬ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, মিৰ্জা, ১৩ ডিচেম্বৰঃ** শতদল পলাশবাৰী সাহিত্য সভাৰ ৬৬ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখন অহা ২৮ আৰু ২৯ ডিচেম্বৰত দুদিনীয়াকৈ মিৰ্জাস্থিত সাহিত্য সভা ভৱনত অনুষ্ঠিত কৰা হ'ব। এই অধিৱেশন উপলক্ষে প্ৰথমদিনা ২৮ ডিচেম্বৰৰ পুৱা ৯ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব শতদল পলাশবাৰী সাহিত্য সভাৰ সভাপতি গজেন চন্দ্ৰ দাসে। স্মৃতি তৰ্পণ কৰিব এই সভাৰ উপ-সভাপতি বলেন কলিতাই। ১০ বজাত সকলোৰে বাবে মুকলি ধৰ্মেশ্বৰ বড়া সোঁৱৰণি স্ব-নিৰ্বাচিত কবিতা আবৃত্তি প্ৰতিযোগিতাখন মুকলি কৰিব প্ৰাক্তন ছাত্ৰ নেতা অনুপ কুমাৰ মেধিয়ে। ১১.৩০ বজাত প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভা অনুষ্ঠিত কৰা হ'ব। দ্বিতীয়দিনা ২৯ ডিচেম্বৰৰ পুৱা ১২.৩০ বজাত মুকলি সভা অনুষ্ঠিত কৰা হ'ব। এই সভাত আৱন্তণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী' পৰিৱেশন কৰিব শতদল পলাশবাৰী সাহিত্য সভাৰ শিল্পীবৃন্দই। সভাত সভাপতিত্ব কৰিব সভাপতি গজেন চন্দ্ৰ দাসে। এই সভাতে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ৰমেশ চন্দ্ৰ ডেকাই মুখ্য অতিথি, মুখপত্ৰ 'দক্ষিণ কোল' উন্মোচন কৰিব ৰাভা লোক কৃষ্টিৰ গৱেষক ডাঃ শৰৎ কুমাৰ ৰাভাই। সভাত সন্মানীয় অতিথি হিচাপে বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰাষ্ট্ৰীয় খেলুৱৈ অনিল দাস, বিশিষ্ট অতিথি হিচাপে কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা নিৰোদ কুমাৰ দাস, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাস উপস্থিত থাকিব। এই সভাতে নাট্যশিল্পী নৰেন কলিতা আৰু অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ ৰাজেন চন্দ্ৰ কলিতাক সম্বৰ্ধনা জনোৱা হ'ব। সভাত আদৰণি ভাষণ প্ৰদান কৰিব সমাজকৰ্মী ৰাম কুমাৰ দাসে। কবিতা আবৃত্তি পৰিৱেশন কৰিব আবৃত্তিকাৰ গোপাল কলিতাই, লোকগীত পৰিৱেশন কৰিব লোকগীতৰ ওজা বংশীধৰ দাসে, বঁটা বিতৰণ কৰিব অৱসৰপ্ৰাপ্ত শিক্ষয়ত্ৰী ইনু দাস বড়াই। এই সভাতে আজীৱন সভ্যৰ প্ৰমাণ পত্ৰও বিতৰণ কৰা হ'ব। শেষত সভাপতি গজেন চন্দ্ৰ দাসৰ ভাষণ প্ৰদানৰ পিছত সভাৰ সম্পাদক ৰবীন কুমাৰ দাসে শলাগৰ শৰাই আগবঢ়াই সভাৰ সামৰণি মাৰিব। ইতিমধ্যেই সভাৰ মুখপত্ৰ 'দক্ষিণ কোল'ৰ যাৱতীয় কাম পূৰ্ণ গতিত চলি আছে বুলি জনায় মুখপত্ৰখনৰ সম্পাদক ৰণজিত চৌধুৰীয়ে। এই দুদিনীয়া অধিৱেশনত ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি উদ্যোক্তাসকলে আন্তৰিকতাৰে কামনা কৰিছে।

# আগমনি বালাজানত বৃহৎ পৰিমাণৰ গো-মাংসসহ আটক বাহন সৰবৰাহকাৰী

**ই-সংবাদ, গোলকগঞ্জ, ১৩ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৰ আগমনি বালাজানৰ দুটা স্থানত আজি পুৱা বৃহৎ পৰিমাণৰ সন্দেহজনক গো-মাংসসহ এখন বাহন আৰু এজন সৰবৰাহকাৰী আটক হোৱা ঘটনাই সীমান্ত অঞ্চলত নিষিদ্ধ মাংসৰ ৰমৰমীয়া বেহা অব্যাহত থকাটো পুনৰ প্ৰতীয়মান কৰিলে। জানিব পৰা মতে, আজি পুৱা বেলগুৰিৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত থকা বেৰিকেডত আৰক্ষীয়ে সন্দেহবশতঃ পশ্চিমবংগৰ পৰা গৌৰীপুৰ অভিমুখী AS-01 QC-6086 নম্বৰৰ এল্টো বাহন এখন আটক কৰে। বাহনখনত তালাচী চলোৱাত বস্তাত সুমুৱাই অনা তিনি কুইন্টল সন্দেহজনক মাংস উদ্ধাৰ হয়। আৰক্ষীক দেখি চালকে বাহন এৰি পলায়ন কৰা বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে যদিও বেৰিকেডত ইমান কেইজন আৰক্ষীৰ সন্মুখত পুৱা চালকে পলায়ন কৰা ঘটনাই ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনহাতে, প্ৰায় একে সময়তে বালাজান আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত বালাজান বজাৰত নম্বৰ প্লেটবিহীন স্কুটী এখন আটক কৰে। স্কুটীখনত তালাচী চলোৱাত বৃহৎ পৰিমাণৰ নিষিদ্ধ মাংস উদ্ধাৰ হয়। আৰক্ষীয়ে চালকজনক আটক কৰে। আটকাধীন লোকজন ঝসকাল গাঁৱৰ আলমগীৰ হুছেইন। উল্লেখ্য যে একাংশই নিজকে আক্ৰাছুৰ নেতা বুলি পৰিচয় দিয়াৰ লগতে স্বয়ম্ভু সাংবাদিকে আৰক্ষীৰ ভয় দেখুৱাই নিষিদ্ধ মাংস আটক কৰি পুৱাৰ ভাগত ধন সংগ্ৰহ অভিযান চলাইছে। কিন্তু সকলো জানি-শুনিও আৰক্ষীয়ে নীৰৱতা অৱলম্বন কৰা ঘটনাই ৰহস্য ঘনীভূত কৰি তুলিছে। অভিযোগ মতে, পাঁচ ডিচেম্বৰৰ পুৱা গৌৰীপুৰ অভিমুখী নিষিদ্ধ মাংস কঢ়িওৱা এখন বাহন ৰতিয়াদহৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত নিজকে আক্ৰাছুৰ নেতা বুলি পৰিচয় দিয়া মনোজ, আৰক্ষীৰ লোক বুলি পৰিচয় দিয়া হোদল, স্বয়ম্ভু সাংবাদিক মহিবুলকে ধৰি পাঁচ-ছয়জনীয়া এটা দলে জব্দ কৰে। আৰক্ষীৰ নামত ধন সংগ্ৰহ কৰিয়ে ক্ষান্ত নাথাকি তিনি কুইন্টল নিষিদ্ধ মাংস কাঢ়ি নিয়ে। মাংসখিনি এজন সাংবাদিকৰ ঘৰত ভাগ-বটোৱাৰা কৰি লৈ বজাৰত বিক্ৰী কৰে। সমগ্ৰ ঘটনাৰ কথোপকথন কোনোবাই ৰেকৰ্ডিং কৰে। তদুপৰি মাংস ভাগ কৰাৰো কোনোবাই ভিডিঅ' কৰে। অডিঅ'-ভিডিঅ' ব্যাপকভাৱে ভাইৰেল হয়। সকলোৰে ম'বাইলে ম'বাইলে ভাইৰেল হোৱাৰ উপৰি গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াকো বহুতে অডিঅ'-ভিডিঅ' যোগান ধৰে। কিন্তু তৎসত্বেও আৰক্ষী এই সন্দৰ্ভত ন্যূনতম ব্যৱস্থা গ্ৰহণ নকৰা ঘটনাই আৰক্ষীৰ ওপৰতো সাধাৰণ ৰাইজৰ সন্দেহ বৃদ্ধি কৰিছে। অসম চৰকাৰে গো-মাংসৰ বিৰুদ্ধে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বিপৰীতে গোলকগঞ্জ-আগমনি আৰক্ষীৰ ভূমিকা সৰ্বত্ৰে চৰ্চিত হৈ পৰিছে।

# ডিমাকুছিত প্ৰধান শিক্ষকৰ মইমতালিৰ বাবে মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত শিক্ষাৰ্থী

**ই-সংবাদ, ডিমাকুছি, ১৩ ডিচেম্বৰঃ** কণ-কণ শিশুৰ মুখৰ ভাত কাঢ়ি খাইছে একাংশ বিদ্যালয়ৰ প্ৰধান শিক্ষকে। বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ ধনত লোলুপ দৃষ্টি এগৰাকী প্ৰধান শিক্ষকৰ। প্ৰতিমাহে চৰকাৰে ধন দিছে বিদ্যালয়ৰ শিশুক দুপৰীয়াৰ আহাৰ খুৱাবলৈ, কিন্তু সেই ধন ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তে গো গ্ৰাসে গিলিছে ভোকাতুৰ প্ৰধান শিক্ষকে। বাৰকুৰি তেৰটা অজুহাত দেখুৱাই মাহৰ পাছত মাহ দুপৰীয়াৰ আহাৰৰ পৰা বঞ্চিত কৰি আহিছে কণ-কণ ছাত্ৰ-ছাত্ৰীক। আনকি ঘটনাৰ অনুসন্ধানৰ বাবে বিদ্যালয়ত উপস্থিত হোৱা সাংবাদিককো অশালীন ব্যৱহাৰ কৰি তৰ্কযুদ্ধত লিপ্ত হয় স্বয়ম্ভু প্ৰধান শিক্ষক ধনেশ্বৰ ডেকা। ইফালে, হিন্দী শিক্ষক অবিহনে বছৰ-বছৰ ধৰি চলি আছে পাঠদান। ওদালগুৰি জিলাৰ ভেৰগাঁৱৰ খৈৰাবাৰী প্ৰাথমিক শিক্ষা খণ্ডৰ অধীনস্ত ৰজাগড়ৰ শ্বহীদ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়। পিছে বিদ্যালয়ৰ প্ৰধান শিক্ষক ধনেশ্বৰ ডেকাৰ কৰ্ম-কাণ্ডই হতবাক কৰি তুলিছে সচেতন মহলক। বিদ্যালয়ৰ বিভিন্ন কাম-কাজত প্ৰধান শিক্ষকজনে অনিয়মৰ আশ্ৰয় লোৱাৰ অভিযোগ আজিৰ নহয়, দীৰ্ঘদিনীয়া। প্ৰধান শিক্ষক ধনেশ্বৰ ডেকাই বিদ্যালয়ৰ আন্তঃগাঁথনিৰ সুদৃঢ়কৰণৰ বাবে আবণ্টিত চৰকাৰী পুঁজিৰ সিংহভাগ আত্মসাৎ কৰাৰ বাবেই বিদ্যালয়ৰ আন্তঃগাঁথনি আজিও পুতৌজনক অৱস্থা। অকল ইমানতে শেষ হোৱা নাই বিদ্যালয়খনৰ প্ৰধান শিক্ষক ধনেশ্বৰ ডেকাৰ দুৰ্নীতিৰ কাহিনী। বিদ্যালয়ৰ মধ্যাহ্ন ভোজন আঁচনিতো বিয়াগোম কেলেংকাৰিৰ অভিযোগ আছে এইগৰাকী বিদ্যালয় প্ৰধান শিক্ষকৰ বিৰুদ্ধে। মাহে-মাহে মধ্যাহ্ন ভোজনৰ মোটা অংকৰ ধনৰাশি হৰলুকী কৰাৰ অভিযোগ। বিদ্যালয়ত পানী নাই, চৰকাৰে টকা দিয়া নাই আদি নানান অজুহাতেৰে প্ৰতিদিনে ছাত্ৰ-ছাত্ৰীক দুপৰীয়াৰ আহাৰৰ পৰা বঞ্চিত কৰি আহিছে দুৰ্নীতিৰ সদাগৰ ধনেশ্বৰ ডেকাই। মাহত এদিন মধ্যাহ্ন ভোজন খাদ্য দি সিংহভাগ ধন আত্মসাৎ কৰি নিজৰ জেপ গধুৰ কৰি আহিছে ৰজাগড় শ্বহীদ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ধনেশ্বৰ ডেকাই। অকল সেয়াই নহয় মধ্যাহ্ন ভোজনৰ চাউল ক'লা বজাৰত বিক্ৰী কৰাৰো অভিযোগ আছে এইগৰাকী প্ৰধান শিক্ষকৰ বিৰুদ্ধে। বস্তাই-বস্তাই চাউল পোকে ধৰি নিগনিয়ে খাই নষ্ট কৰি খোৱাৰ অনুপযোগী কৰি তুলিছে একমাত্ৰ প্ৰধানশিক্ষকৰ হেমাহিৰ বাবে। বিভিন্ন সময়ত স্থানীয় ৰাইজে শিক্ষকজনৰ এই অনিয়মৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষক অভিযোগ দাখিল কৰি আহিছে যদিও কাণসাৰ নাই, ৰহস্যজনকভাৱে খৈৰাবাৰী প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষা বিষয়াগৰাকীয়ে শিক্ষক ধনেশ্বৰ ডেকাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পৰা আঁতৰি থকা পৰিলক্ষিত হৈছে। শিক্ষা বিভাগৰ নিৰ্লিপ্ততাৰ বাবেই প্ৰধান শিক্ষকগৰাকীয়ে দুৰ্নীতিৰে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি অহাৰ অভিযোগ উথ্থাপন কৰিছে স্থানীয় দল-সংগঠন আৰু সচেতন ৰাইজে। বিদ্যালয়ত সংঘটিত হোৱা দুৰ্নীতিৰ বিষয়ে প্ৰধান শিক্ষকগৰাকীক জৱাবদিহি কৰাৰ বাবেই সাংবাদিকৰ ওপৰত খৰ্গহস্ত হৈ পৰা প্ৰধান শিক্ষকগৰাকীয়ে সাংবাদিকৰ দলটোৰ সৈতে তৰ্কযুদ্ধত লিপ্ত হৈ অশালীন ব্যৱহাৰ কৰে। ইয়াকে লৈ জাঙুৰ খাই উঠিছে স্থানীয় সংবাদ কৰ্মীসকলৰ লগতে স্থানীয় ৰাইজ, দল-সংগঠন। প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্ত কৰি শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে সাংবাদিক, অভিভাৱক, দল-সংগঠনৰ লগতে ৰাইজে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বত যোগাযোগ কৰক।

# চকলাঘাটত নৈশ বেডমিণ্টন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৩ ডিচেম্বৰঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ চকলাঘাটৰ ইয়ংষ্টাৰ ক্লাবৰ সৌজন্যত চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অহা ২২ ডিচেম্বৰত নৈশালোকত দ্বিতীয় সংখ্যক সদৌ অসম মুকলি প্ৰাইজমানি দ্বৈত বেডমিণ্টন প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰিবৰ বাবে সম্প্ৰতি ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। আয়োজক সমিতিয়ে জানিবলৈ দিয়ামতে, প্ৰতিযোগিতাৰ বিজয়ী দলক নগদ সাতহেজাৰ এটকা সহ ট্ৰফী, ৰাণাৰ আপ দলক নগদ চাৰিহেজাৰ এটকা সহ ট্ৰফী আৰু শ্ৰেষ্ঠ খেলুৱৈগৰাকীক নগদ পোন্ধৰশ এটকা প্ৰদান কৰাৰ উপৰি শ্ৰেষ্ঠ প্ৰতিভাবান খেলুৱৈগৰাকীকো বিশেষ বঁটা দিয়া হ'ব। দুজনীয়া খেলুৱৈৰ এই প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিবৰ বাবে ইচ্ছুক খেলুৱৈসকলক শীঘ্ৰে নিৰ্ধাৰিত চাৰিশ এটকা ভৰ্ত্তিমাছুলসহ যোগদান নিশ্চিতকৰণ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে। আয়োজক সমিতিৰ যোগাযোগৰ ফোন নম্বৰ হ'ল ৯১২৭৫৪৮৮৬৭, ৮৮৭৬৮৩৬৬৪৬, ৮৮৭৬৭৪৯৯১৭, ৯৩৬৫৮৬২১৭৮।

# জাগীৰোডত খেল মহাৰণ আৰম্ভ

**ই সংবাদ, জাগীৰোড, ১৩ ডিচেম্বৰঃ** ৰাজ্যৰ চুকে-কোণে লুকাই থকা ক্ৰীড়া প্ৰতিভাসমূহৰ বিকাশৰ বাবে এখন উৎকৃষ্ট মঞ্চ প্ৰদানৰ লক্ষ্যৰে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আয়োজন কৰা হৈছে ৰাজ্যৰ সৰ্ববৃহৎ ক্ৰীড়া সমাৰোহ 'খেল মহাৰণ'ৰ দ্বিতীয় সংস্কৰণ। প্ৰথম সংস্কৰণত ৰাজ্যৰ ক্ৰীড়াপ্ৰেমীৰ বিপুল সমাদৰ লাভৰ পাছত এইবাৰ আৰম্ভ হোৱা দ্বিতীয় সংস্কৰণতো দেখা গৈছে খেলুৱৈৰ পাৰভঙা উছাহ। আজি জাগীৰোড বিধানসভা সমষ্টিৰ খেল মহাৰণ ২.০ প্ৰতিযোগিতাসমূহ মকৰিয়া আৰু নেলী খেল পথাৰত অনুষ্ঠিত হয়। এই প্ৰতিযোগিতা শুভ উদ্বোধন কৰে অসম চৰকাৰৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক পীযুষ হাজৰিকাই । এই অনুষ্ঠানত উপস্থিত থাকে মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জাগীৰোড সম-জিলাৰ আয়ুক্ত বিমান দাস, মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত ড০ সংগীতা বৰঠাকুৰ,তিৱা স্বায়ত্ব পৰিষদৰ প্ৰাক্তন অধ্যক্ষ নাৰায়ণ কুমাৰ ৰাডু কাকতি, ১৩ নং নেলী খলা সমষ্টিৰ সদস্য জীৱন কোঁৱৰ, প্ৰাক্তন খেলুৱৈ অন্ধৰোৱাম দাস আৰু প্ৰাক্তন ৰাষ্ট্ৰীয় কাবাডী খেলুৱৈ উত্তম চেত্ৰী। উক্ত খেল মহাৰণ ২.০ ত জাগীৰোড সমষ্টিৰ অন্তৰ্গত ২৯ খন গাঁও পঞ্চায়তৰ পৰা সৰ্বমুঠ ২৮৬৩জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।



পাকিস্তানৰ বিৰুদ্ধে দ্বিতীয় টি-২০ত জয়লাভ কৰি দক্ষিণ আফ্ৰিকাৰ খেলুৱৈসকলৰ উল্লাস, শুকুৰবাৰে

## কৰদৈগুৰি কাপ ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি

# ইউথিয়াছ স্পৰ্টছক হৰুৱাই চেম্পিয়ন কৰদৈগুৰি

**ই-সংবাদ, ডুমডুমা, ১৩ ডিচেম্বৰঃ** অসম ফুটবল সন্থা আৰু তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত তালাপ-কৰদৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত চাহ নগৰী ডুমডুমাৰ নিলগৰ বৃহত্তৰ কৰদৈগুৰিৰ বৰগড়া ৰাজহুৱা খেলপথাৰত যোৱা ৫ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা প্ৰথম বাৰ্ষিক ৰাষ্ট্ৰীয় পৰ্যায়ৰ দিবা-নৈশ আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা "কৰদৈগুৰি কাপ-২০২৪" ৰ কালি সফল সামৰণি পৰে। কালি সন্ধিয়া অনুষ্ঠিত ফাইনেলত কৰদৈগুৰি এফ চিয়ে নাগালেণ্ডৰ ইউথিয়াছ স্পৰ্টছ একাডেমীক ৩-০ গ'লত পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। কৰদৈগুৰি এফ চিৰ হৈ তিনিটাকৈ গল দিয়ে সত্যজিৎ দহোতীয়াই। প্ৰতিযোগিতাৰ চেম্পিয়ন দলক বঁটাসহ নগদ ৫০ হাজাৰ, বিজিত দলত বঁটাসহ ৩০ হাজাৰ টকাৰে পুৰস্কৃত কৰা হ'য়। মুঠ ৮টা দলে ভাগ লোৱা প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈ, চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ, সৰ্বাধিক গ'লদাতা হিচাপে খিতাপ অৰ্জন কৰা কৰদৈগুৰি এফ চিৰ সত্যজিৎ দহোতীয়াক বঁটাসহ নগদ ধনেৰে পুৰস্কৃত কৰাৰ লগতে শ্ৰেষ্ঠ গ'লৰক্ষক হিচাপে কৰদৈগুৰি এফ চিৰ বিবেক তাঁতীক বঁটাসহ নগদ ধনেৰে পুৰস্কৃত কৰা হয়।

# ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়া কাৰাটেত অসম দলৰ মুঠ সাতটা পদক অৰ্জন

**ই-সংবাদ, হাজো, ১৩ ডিচেম্বৰঃ** নতুন দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত অনুষ্ঠিত ৬৮ সংখ্যক ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াৰ কাৰাটেত অসম দলে শুকুৰবাৰলৈ মুঠ ৭টা পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। ১৭ বছৰ অনুৰ্ধ ছোৱালীৰ ৩৬ কেজিৰ তলৰ শাখাত তনয়া নাথে সোণ, ৫০ কেজি তলৰ শাখাত তক্ষীল মজুমদাৰে ৰূপ, ১৭ বছৰ অনুৰ্ধৰ ছোৱালীৰ ৬৮ কেজিৰ তলৰ শাখাত পংখী প্ৰিয়া বৰুৱাই এটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। আনহাতে ১৪ বছৰ অনুৰ্ধৰ ল'ৰাৰ ৪০ কেজিৰ তলৰ শাখাত নাহাত হুছেইনে ৰূপ, ৩৫ কেজিৰ তলৰ শাখাত হিমাংশু বৰাই ব্ৰঞ্জ, ছোৱালীৰ ১৪ বছৰ অনুৰ্ধ ছোৱালীৰ ৩৪ কেজি তলৰ শাখাত সুনয়না গগৈয়ে ব্ৰঞ্জ, ৪২ কেজি তলৰ শাখাত ৰশ্মি প্ৰধানে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে পদক বিজয়ী আটাইকেইগৰাকী খেলুৱৈ অসম অলিম্পিক সন্থাৰ পঞ্জীয়নভুক্ত সদৌ অসম কাৰাটে সন্থাৰ। পদক বিজয়ী খেলুৱৈ কেইগৰাকীক সদৌ অসম কাৰাটে সন্থাৰ সভাপতি তথা কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ লগতে সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীয়ে শুভেচ্ছা জ্ঞাপন কৰে। ১৪ বছৰ অনুৰ্ধৰ বাকী থকা ইভেণ্ট আৰু ১৯ বছৰ অনুৰ্ধতো অসমৰ খেলুৱৈয়ে পদক লাভ কৰাৰ সম্ভাৱনা আছে বুলি জানিবলৈ দিয়ে সদৌ অসম কাৰাটে সন্থাই।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি